চান্দমামা

ফেব্ৰুৱাৰি ১৯৯৫



everest/94/PP/186-as

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

এতিয়াৰ পৰাই তোমাৰ ফানষ্টিক্‌চ* গোটাবলৈ আৰম্ভ কৰা!

* *সুগন্ধিযুক্ত প্লাষ্টিক ক্ৰেয়ন*

নিয়ম ও বিধিসমূহ

১. এই প্ৰতিযোগিতাত ৪ৰ পৰা ১৫ বছৰ বয়সৰ ল'ৰা-ছোৱালীয়ে যোগ দিব পাৰিব। কেৱল ভাৰতীয় নাগৰিকত্ব থকাসকলহে যোগ্য হব।
২. 'জনছন এণ্ড জনছন' আৰু 'অগিলভি এণ্ড মাথেৰ'-ৰ কৰ্মচাৰী আৰু তেওঁলোকৰ আত্মীয়সকলৰ যোগদান বিনীতভাৱে প্ৰত্যাখ্যান কৰা হৈছে।
৩. এজন প্ৰতিযোগীয়ে যি কোনো সংখ্যক প্ৰৱেশপত্ৰ পঠিয়াব পাৰে।
৪. প্ৰত্যেকখন প্ৰৱেশপত্ৰই সম্পূৰ্ণকৈ পূৰোৱা হব লাগিব। অসম্পূৰ্ণ বা অস্পষ্ট প্ৰৱেশপত্ৰ অবৈধ বিবেচিত হব।
৫. প্ৰৱেশপত্ৰ গ্ৰহণৰ শেষ তাৰিখ ২৮ ফেব্ৰুৱাৰী, ১৯৯৫। অৱশ্যে, কোম্পানীয়ে বন্ধ কৰাৰ তাৰিখ পিছুৱাই বা আগুৱাই দিয়াৰ অধিকাৰ সংৰক্ষিত ৰাখিছে।

বেণ্ড-এড®

ফানটেষ্টত যোগদান কৰা

জনছন এণ্ড জনছন

তুমি কৰিবলগীয়া কাম হ'ল কেৱল এটা পটীত ৰং দিব লাগে আৰু একেবাৰে সহজ প্ৰশ্ন কেইটামানৰ উত্তৰ দিব লাগে। বচ, তাৰপিচতে তুমি জিকিব পৰাকৈ ইয়াত আছে এখিনিমান আকৰ্ষণীয় পুৰস্কাৰ।

তাৰোপৰি ১০০০ টা পুৰস্কাৰ সৰ্বপ্ৰথমে পঠিওৱাসকলৰ বাবে (গতিকে তোমাৰ প্ৰবেশপত্ৰ আজিয়েই পঠিওৱা!)

ইয়াক এটা ফানষ্ট্ৰিপ বনোৱা!

এই বেণ্ড-এডটোক এটা ফানষ্ট্ৰিপত পৰিণত কৰিবলৈ আশ্ৰয় লোৱা কল্পনাৰ। ইয়াক দেখাত এটা আচল ফানষ্ট্ৰিপৰ দৰে সুন্দৰ কৰি তুলিবলৈ তুমি ইয়াত ৰং দিব পাৰা, আঁকিব পাৰা বা লিখিবও পাৰা।

সঠিক উত্তৰটোত টিক (✓) মাৰা

১. বেণ্ড-এড পটী এটাৰ চাইজ কিমান?
☐ ১৯ মিমি X ৭২ মিমি ☐ ১৭ মিমি X ৭০ মিমি ☐ ২১ মিমি X ৭৪ মিমি

২. কেৱল জনছন এণ্ড জনছনৰ বেণ্ড-এড পটীহে সম্পূৰ্ণৰূপে ষ্টেৰিলাইজড কৰা।
☐ সঁচা ☐ মিছা

৩. বেণ্ড-এড ফানটেষ্ট পেকত কিমানটা বেণ্ড-এড পটী (সকলো ধৰণৰ) আছে?
☐ ২০ ☐ ১৫ ☐ ৩০

৪. বেণ্ড-এড পেডত থকা সুফলদায়ক ঔষধখিনিক কি নামে জনা যায়?
☐ বৰিক পাউডাৰ ☐ বেঞ্জলকনিয়াম ক্ল'ৰাইড ☐ টিংকশ্যাৰ আয়ডিন

৫. ভাৰতত, বেণ্ড-এড পটীত কিমানটা ৱাল্ট ডিচনী চৰিত্ৰই এতিয়ালৈকে ভুমুকি মাৰিছে?
☐ ৪ ☐ ৬ ☐ ২

নাম : ______________________

জন্মৰ তাৰিখ : ______________________ ল'ৰা/ছোৱালী : __________

ঠিকনা : ______________________

স্কুল : ______________________

৬. কোনো প্ৰবেশপত্ৰ ঘূৰাই দিয়া নহ'ব।
৭. বিজয়ীসকলক ডাকযোগে জনোৱা হ'ব।
৮. বিচাৰকসকলৰ সিদ্ধান্তই চূড়ান্ত আৰু ধৰাবন্ধা হ'ব।
৯. জনছন এণ্ড জনছন-এ কোনো কাৰণ উল্লেখ নকৰাকৈয়ে/কৰি আঁচনিখন পৰিবৰ্তন কৰাৰ, স্থগিত ৰখাৰ অথবা উঠাই লোৱাৰ অধিকাৰ সংৰক্ষিত ৰাখিছে।
১০. সকলো প্ৰবেশ-পত্ৰ সাধাৰণ ডাকযোগে এই ঠিকনালৈ পঠিয়াব লাগিব : দি বেণ্ড-এড ফানটেষ্ট, মাৰফৎ- ডাটাবেচিক্স, পো. অ. বক্স ১৬৬০৫, বম্বে-৪০০ ০১১।

Ogilvy & Mather 5179 ASM

চান্দমামা

*

ফেব্ৰুৱাৰি ১৯৮৫

এই * আছে

সংখ্যাত

*

আপোচৰ খেতি	:	৭
শ্ৰীলংকীয় 'ৰেকৰ্ড'	:	৯
কপালৰ আঁক	:	১১
অতুল-সুন্দৰী	:	১৭
সম্বাদ-বি-সমবাদ	:	২৪
সততা—মূৰ্খতা	:	২৫
লেম-কাহিনী	:	৩২
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
সিদ্ধিৰ গুৰিকথা	:	৩৭
যোগ্যতাৰ তুলাচনী	:	৪২
মহাভাৰত	:	৪৫
মহালক্ষ্মী মন্ত্ৰ	:	৫৩
প্ৰকৃত তপোবল	:	৫৫
প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

ফটো-প্ৰতিযোগিতা-পুৰস্কাৰ ৬৫

চান্দমামা : খনে : ৫·০০ টকা মাথোন

বছৰেকীয়া বৰঙনি : ৬০·০০ টকা মাথোন

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

আপোচৰ খেতি

চান্দমামাৰ এই সংখ্যাত 'অতুলসুন্দৰী'ক লৈ ৰণশিঙা বাজি উঠিছে। ট্ৰয়-গ্ৰিক দুয়োপক্ষৰেপৰাই এই ৰণ ন্যায়ৰ বাবে। 'ন্যায়ৰ বাবে অন্যায়' 'মানৱতাৰ ৰক্ষাৰ বাবে' মানৱৰ সংহাৰ পৃথিৱীত মানৱকুলৰ আবিৰ্ভাৱৰেপৰাই চলি আহিছে, আৰু আজিও এই প্ৰক্ৰিয়া বিৰামবিহীন। 'আলোচনা', 'মীমাংসা', 'পাৰম্পৰিক বুজাবুজি' আদি বহুতো বৃহং অৰ্থবোধক মৌ-মিঠা শব্দ যদিও আছে, কিন্তু সেই শ্ৰুতিসুখকৰ গীত-মাতৰ দৰেই প্ৰায় অৰ্থহীন মিঠা মিঠা শব্দ মাথোন, শেষ ফলশ্ৰুতি সৰু বা বৰ বৰ যুদ্ধ।

মানৱতাৰ ৰক্ষাৰ কাৰণে মানৱ সংহাৰৰ এই প্ৰহসন মানৱকুলৰ তথা পৃথিৱীৰ সম্পূৰ্ণ বিলুপ্তিৰ আগতে যে বন্ধ নহ'ব, সেই কথা ধ্ৰুৱসত্য।

মানুহক লৈ কিমান যে মিঠা মিঠা কথা লিখা হয়! কিন্তু সেই লিখাবোৰ পঢ়াত যিমানেই চিত্তাকৰ্ষক নহওক, আচলতে প্ৰায়ভাগেই সিঁচা পানীৰ সমান, যাক চমুকৈ ক'লে ক'ব পাৰি —মিছা। মানৱতাৰ সঁচাৰূপ ইমানেই অস্বস্তিকৰ যে প্ৰায় কোনেও—কোনো লেখক-সাহিত্যিকেও সেই সঁচাৰ কাষেদিও নাযায়, গ'লেই তথাকথিত 'জনপ্ৰিয়তা' হেৰুউৱাৰ ভয়! এই তথাকথিত জনপ্ৰিয়তা লাভাৰ্থে সাহিত্যত নাটকত বোলছবিত চিত্ৰত ৰাজনীতিত—সকলোতে চলে চেনিৰ লেও দিয়া মিঠা মিঠা মিছাৰ সৈতে আপোচৰ খেতি।

এনেবোৰ আপোচ বন্ধ কৰিব নোৱাৰিনে?

বছৰ : ১৯ ফেব্ৰুৱাৰি ১৯৯৫ সংখ্যা : ১১

খনে ৫·০০ টকা :: বছৰেকীয়া বৰঙনি ৬০·০০ টকা

Sunday, Piano, Nursery Rhymes
It's Morton for me all the time
MORTON
SWEETS
I Love my Sundays all the time. It has ..... Nursery Rhymes and my Mummy close to me and Mortons been our Family's favourite for years and years.
Delicious and Creamy Milk, yummy in so many Glucose and Sugar. flavours. All with the goodness of
Chocolate Chocolate and so many Um m m m m
and Coconut Cookies, and Coconut Toffees, other delicious treats. Every bite a yummy delight.
Rose Eclairs, Lacto Bonbons
Supreme Mango King
A lifetime of real goodness
MORTON CONFECTIONERY & MILK PRODUCTS FACTORY
P.O. : Marhowrah 841 418 Dist. : Saran, Bihar
CC/M-1/93
Caution Notice :
MORTON and its wrappers are registered trade mark of Upper Ganges Sugar Industries Ltd. Any infringement of trade mark rights is liable to prosecution.

পৃথিৱীৰ খিৰিকীৰে

কিছুমান শ্ৰীলংকীয় 'ৰেকৰ্ড' !

যেতিয়া ৪৯-বছৰীয়া শ্ৰীমতি চন্দ্ৰিকা কুমাৰাতুংগাই ১৯ অগাস্টৰ দিনা শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰীত্ব গ্ৰহণ কৰিছিল (চান্দমামা অকট'বাৰ ১৯৯৪ দ্ৰষ্টব্য), তেতিয়া তেওঁ এক ইতিহাস সৃষ্টি কৰিছিল—আগৰ দুগৰাকী প্ৰধানমন্ত্ৰীৰ পুত্ৰীৰূপে। তেওঁৰ পিতাক শ্ৰী এছ. ডাবলু. আৰ. ডি. বান্দাৰনায়িকে ১৯৫৬—১৯৫৯ লৈকে, নিহত হোৱাৰ আগলৈকে, প্ৰধানমন্ত্ৰী আছিল। তাৰ পাছত আহিল পত্নী শ্ৰীমতি ছিৰিমাভো বান্দাৰনায়িকে। তেওঁ আছিল পৃথিৱীৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী, আৰু তেওঁ দুই বাৰ (১৯৬০—৬৫ আৰু ১৯৭০—৭৭) এই পদ অলংকৃত কৰিছিল।

মাত্ৰ তিনি মাহমানৰ আগতে শ্ৰীমতি কুমাৰাতুংগা, নৱেমবাৰ ৯ তাৰিখৰ নিৰ্বাচনত শ্ৰীলংকাৰ নতুন ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'ল। শাসক পিপ'লছ অ্যাল্লাইয়েন্স পাৰ্টিৰ হৈ তেওঁ ৬২% ভোট পাইছিল। নৱেমবাৰ মাহৰ ১২ তাৰিখৰ দিনা, শ্ৰীলংকাৰ প্ৰথম মহিলা ৰাষ্ট্ৰপতিৰ পদত শ্ৰীমতি কুমাৰতুংগা অভিষিক্ত হ'ল।

জীয়েক চন্দ্ৰিকাই তেওঁৰ মাকক প্ৰধানমন্ত্ৰী হিচাপে ল'লে। ২২ সদস্যযুক্ত মন্ত্ৰিসভাত শ্ৰীমতি বান্দাৰনায়িকে দপ্তৰ-বিহীন প্ৰধানমন্ত্ৰী, আৰু তেওঁ তৃতীয় বাৰৰ বাবে প্ৰধানমন্ত্ৰী হ'ল।

শ্ৰীমতি ছিৰিমাভো বান্দাৰনায়িকে আছিল শ্ৰীলংকা ফ্ৰিডাম পাৰ্টিৰ অবিসম্বাদিত নেত্ৰী, এই পাৰ্টিৰ প্ৰতিষ্ঠাতা তেওঁৰ স্বামী শ্ৰীবান্দাৰনায়িকেৰ ১৯৫৯ চনত অকস্মাৎ অকালমৃত্যুৰ পাছত।

শ্ৰীমতি বান্দাৰনায়িকেৰ ৩৫ বছৰীয়া ৰাজনৈতিক জীৱনৰ সেয়ে আছিল আৰম্ভণী আৰু ১৯৬০ চনত তেওঁৰ নেতৃত্বত পাৰ্টি বিপুলভাবে বিজয়ী হৈছিল। ১৯৭০—৭৭ তেওঁ এক বাঁওপন্থী কোৱালিশ্যান মন্ত্ৰীসভা চলাইছিল, যেতিয়া বিৰোধী ইউনাইটেড নেশ্যানাল পাৰ্টিয়ে বিজয়লাভ কৰিছিল, আৰু শ্ৰীজয়বৰ্ধনে হৈছিল নতুন সংবিধান মতে নব-নিৰ্বাচিত ৰাষ্ট্ৰপতি।



১৯৮৯ চনত, ইউ. এন. পি. পুনৰায় নিৰ্বাচনযোগে ক্ষমতাধিষ্ঠিত হ'ল আৰু প্ৰধানমন্ত্ৰী প্ৰেমদাসা ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হ'ল। কিন্তু ১৯৯৩ চনত তেওঁ নিহত হ'ল আৰু প্ৰধানমন্ত্ৰী উইজেতুংগে হ'ল ৰাষ্ট্ৰপতি। এতিয়া, শ্ৰীমতি কুমাৰাতুংগা দেশৰ চতুৰ্থ ৰাষ্ট্ৰপতি।

১৯৯৩ চনত, এছ. এল. এফ. পি-য়ে অন্যান্য কিছুমান পাৰ্টিৰ সহযোগত পিপ'লছ্ অ্যাল্লাইয়েন্স গঠন কৰিছিল, যাৰ নেতৃত্বত নিৰ্বাচিত হৈছিল শ্ৰীমতি কুমাৰাতুংগা। সেই বছৰত প্ৰভিন্সিয়্যাল কাউন্সিলৰ নিৰ্বাচনত তেওঁ সংখ্যা-গৰিষ্ঠ পশ্চিম প্ৰাদেশিক নিৰ্বাচনত বিজয়ী হৈ দেশৰ প্ৰথম মহিলা মুখ্যমন্ত্ৰীৰ পদ অলংকৃত কৰিছিল।

এতিয়া, শ্ৰীমতি চন্দ্ৰিকা কুমাৰাতুংগাই সাংবিধানিক পৰিৱৰ্তনৰ কথা ঘোষণা কৰিছে, আৰু শ্ৰীলংকাত ৰাষ্ট্ৰপতীয় শাসন-ব্যৱস্থাৰ পৰিৱৰ্তে পাৰ্ল্যামেণ্টাৰি শাসন-ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিবলৈ যুগোপযোগী ব্যৱস্থা লৈছে। এই ব্যৱস্থাৰ যোগে তেওঁৰ মাক ৭৮-বছৰীয়া শ্ৰীমতি বান্দাৰনায়িকে হ'ব সম্ভাব্য ৰাষ্ট্ৰপতি, আৰু জীয়েক অৰ্থাৎ শ্ৰীমতি চন্দ্ৰিকা কুমাৰাতুংগাই হ'ব অধিক ক্ষমতাসম্পন্ন প্ৰধানমন্ত্ৰী। আৰু—তেতিয়াহে হ'ব ৰেকৰ্ডভৰা ৰেকৰ্ড—শ্ৰীলংকীয় চুপাৰ ৰেকৰ্ড।

কপালৰ আঁক

গায়ত্ৰীৰ মাক-দেউতাক কেতিয়াবাই ঢুকাল। আছে অৱশ্যে সতিয়ৈ মাক, কিন্তু 'আছে' মানে—তাইৰ মানত—থাকিও নথকাৰ দৰে, কেৱল জ্বলন-যাতনহে দিয়ে সতিয়ৈ মাকে। আৰু সতিয়ৈ মাক পাৰ্বতীৰো দুজনী ছোৱালী আছে, নাম ইনু আৰু মিনু। ইনু-মিনু দুয়োজনীয়েই দেখাত অতি অগঢ়ী; কিন্তু সিহঁতি নিজক নিজে—সেই বচনত কোৱাৰ দৰে ভাবে —"ঘনাই তামোল খায়, আচিঁৰে মুখখন চায়, ভাবে ৰোলে মোৰ মান ধুনীয়া এই ছিষ্টিত নাই'। যদিও কোনেও সিহঁত দুজনীক বিয়া নকৰায়, এবাৰ দেখাই, সেই যে পলায়, আৰু এইমুৱা নহয়।

কিন্তু গায়ত্ৰী দেখাত আছিল ধুনীয়াৰো ধুনীয়া, আৰু এই কথাত সতিয়ৈ মাক পাৰ্বতীৰ আছিল খং আৰু অসূয়া। পাৰ্বতীয়ে তেওঁৰ ছোৱালী দুজনীক কৈছিল, "এই ভূতুনীজনীৰ কাৰণেহে মোৰ দুজনীৰ বিয়া হওঁ হওঁ বুলিও নহয়। তাই মৰতীয়ে যে কেতিয়া মৰিব—কোনে ক'ব।" এনেবোৰ কথা দিনত এবাৰকৈ শুনিবই লাগে গায়ত্ৰীয়ে।

এদিন সতিয়ৈ মাক পাৰ্বতীয়ে তেওঁৰ ভায়েকটোৰ সৈতে পৰামৰ্শ কৰি—ইনু-মিনুৰ বাটৰ কাঁইট গুচাবলৈ আঁচনিও এটি পাঙিলে। এই আঁচনি মতে—সিহঁতে চুবুৰীয়া গাঁৱৰ তপা-লপা লুভীয়া বুঢ়া এটাৰ সৈতে গায়ত্ৰীক দিবলৈ যো-জা কৰিলে। কিন্তু গায়ত্ৰীয়ে কেনেবাকৈ এই ষড়যন্ত্ৰৰ কথা গম পোৱাত গধূলি পৰতেই ঘৰ এৰি বাহিৰলৈ বুলি খোজ ল'লে।

এইদৰে অজানলৈ বুলি খোজ লোৱাত

'ৰাধাৰাণী'

তাই অকণোকে ভয় নাখালে, কিয়নো—
তাতো মৰিব পাৰে, ইয়াতো।

গৈ গৈ তাই বহু দূৰ পালেগৈ। আৰু তাত এজোপা বিৰাট তেঁতেলীৰ তলত ৰহিলগৈ। তেতিয়া সাঁজ-লাগি ভাগিছেহে মাথোন। তাই চাৰিওফালে চাই তাত কেৱল সৰু-সুৰা তেঁতেলী গছেই দেখা পালে, আৰু দেখা পালে এটি পঁজা।

তাই এখুজি-দুখুজিকৈ সেই পঁজাৰ কাষ চাপিল আৰু তাত মেকুৰী-চকুৰা পকাচুলীয়া বুঢ়ী মানুহ এজনীক দেখা পালে। দেখাত বুঢ়ী ভয়ংকৰী, কিন্তু তেও—মানুহ এজনী তো হয়; গতিকে গায়ত্ৰীয়ে তাইৰ মনৰপৰা গুচালে ভয়।

গায়ত্ৰীয়ে জানে, ভয় কোনো গুণ নহয়, ভয়ক কৰিব লাগে জয়, তেহে জীৱন সুখৰ হয়।

বুঢ়ীয়ে যেতিয়া গায়ত্ৰীক সুধি-পুছি তাইৰ বা-বিবৰণ জানিলে, তেতিয়া ক'লে, "ভয় নকৰা, যিমান দিন পতি নোপোৱা, মোৰে সৈতে থাকিবা, সেই ঘৰলৈ আৰু যাব নালাগে।"

বুঢ়ীয়ে গায়ত্ৰীক আদৰ-সাদৰেৰেই ৰাখিলে; যদিও গায়ত্ৰীও বহি নাথাকিল, তাই বুঢ়ীৰ ঘৰৰ সকলো কাম অতি যত্নেৰে কৰি বিবলৈ ধৰিলে।

বুঢ়ীৰ আছিল এখন গৰুৰ গাড়ী। হাবিৰ তেঁতেলী ডাঙৰ ডাঙৰ থৈলাত ভৰাই গৰুৰ গাড়ীৰে চহৰলৈ লৈ যায় আৰু বেচে, আৰু তেঁতেলী-বেচা টকাৰে লাগতিয়াল বস্তু কিনি আনে। কিন্তু এতিয়া এই কামটিও বুঢ়ীয়ে গায়ত্ৰীৰ ওপৰতে জাপি দিলে। ইয়াক বোলেনে যোঁৱা দেখিলে খোঁৱা?

যিহওক — যাহওক, এই কামটিও গায়ত্ৰীয়ে মনে-চিতে মানি ল'লে আৰু বুঢ়ীৰপৰা তেঁতেলীৰ বেহা শিকি ল'লে।

এদিন গায়ত্ৰীয়ে দুই বস্তা তেঁতেলীৰে সৈতে যেতিয়া গাড়ীত উঠি গৈ আছিল,

তেতিয়া এজনী বাউনী ৰাক্ষসী হঠাৎ ক'ৰবাৰপৰা গাড়ীৰ আগত জঁাপ দি পৰিল আৰু ক'লে, "ইঃ! কেনে ধুইন্না ছলিজনী!"

গায়ত্ৰীয়ে এই বাউনীজনীক সাধাৰণ বাউনী এজনী ভাবিয়েই ক'লে, "বাট আগুৰি থিয় হৈ নাথাকিবা, গুচা—। হাটলৈ যাওঁতে পলম হ'লে তেঁতেলী বেচা নাযাব।"

"মোকো হাটলৈ লৈ ব'লা। বুইছাই, মই এজনী কোনো-কেও নথকা ৰাইক্ৰসী।" বাউনী ৰাক্ষসীয়ে ক'লে। গায়ত্ৰীৰ মনত পুতৌউ পজিল বাউনীলৈ। তাই ক'লে, "তুমি যদি সঁচাসঁচিকৈয়েই ৰাক্ষসী, তোমাক মই তেঁতেলীৰ বস্তাত ভৰাইহে লৈ যাম।—ৰাজী?"

"আচলতে মই ৰাইক্ৰসী নহওঁ, মোৰ নাম ৰাজকুঁৱৰী। ঠিক আছে, বস্তাতে ফস্তি মাৰি হাটলৈ যাম—বস্তাতে ফস্তি মাৰি তেঁতেলীও খাম।"

গায়ত্ৰীয়ে যেতিয়া হাট পালেগৈ, তেতিয়া কোনোবাই 'মিঠাই লাগে—মিঠাই' বুলি চিঞৰাত বস্তাৰ ভিতৰৰপৰা বাউনী ৰাক্ষসীয়ে কৈ উঠিল, "অ'—গাইতিৰী, মোক মিঠাই লাগে, মিঠাই দিয়া, মই মিঠা মিঠা মিঠাই খাম।"

ওচৰতে গুৰ-বেচা ল'ৰা এটাক গাড়ীখন আৰু তেঁতেলীৰ বস্তা দুটা চাবলৈ কৈ গায়ত্ৰী গ'ল বাউনী ৰাক্ষসীৰ কাৰণে মিঠাই আনিবলৈ।

মিঠাইৱলাক বিচাৰি উলিয়াওঁতে আৰু মিঠাই কিনোতে আধাঘণ্টামান লাগিল। ঘূৰি আহি দেখিলে—গাড়ীৰ ওপৰত তেঁতেলীৰ বস্তা দুটা নাই।

গায়ত্ৰী দমি গ'ল। তাই ইফালে-সিফালে যিফালে যিমানলৈ চকু যায়—চাই পঠালে; কিন্তু তেঁতেলীৰ বস্তাৰ ছাঁটোও দেখা নাপালে।

তেতিয়া সেই গুৰ-বেচা ল'ৰাটোৱে তাইৰ হাতত দুখ টকা দিলে আৰু ক'লে,

"তোমাৰ তেঁতেলী ৰজাৰ মানুহে এই দুশ টকা থৈ লৈ গ'ল, কিয়নো ৰাজকুঁৱৰীৰ বিয়াৰ সময় হৈ গ'ল।"

শুনি গায়ত্ৰীৰ গাৰপৰা ঘাম ওলাবলৈ ধৰিলে, বাউনী ৰাক্ষসীয়ে তাইক বিশ্বাস কৰিছিল বুলিহে তাইৰ সৈতে হাটলৈ আহিছিল। এতিয়া ৰজাৰ প্ৰহৰীইঁতে যেতিয়া বস্তাৰপৰা তাইক উলিয়াব, তেতিয়া তাইক—মাৰি নেপেলাবনে?

গায়ত্ৰী তৎক্ষণাৎ ৰাজপ্ৰাসাদলৈ গ'ল আৰু সেই প্ৰাসাদৰ পিছফালে এঠাইত ভালেমান তিৰোতাই একেলগে বহি পাচলি কুটি থকা দেখিলে। কিছুমান তিৰোতাই পাচলিৰ বস্তা মূৰত লৈ যোৱা তাই লক্ষ্য কৰিলে।

আৰু এবস্তা পাচলি মূৰত উঠাই লৈ গায়ত্ৰীও তালৈ গ'ল আৰু গৈয়েই তাত তাই সেই তেঁতেলীৰ বস্তা দুটা দেখা পাই, বস্তা দুটাৰ কাষ চাপি গৈ, গু ন-গু ন কৈ মাতিলে, "ৰাজকুঁৱৰী, ৰাজকুঁৱৰী!"

এটা বস্তাৰপৰা ৰাক্ষসীয়ে কৈ উঠিল, "মিঠাই—আনিছানে?"

স্বস্তিৰ উশাহ এৰি গায়ত্ৰীয়ে বাউনী ৰাক্ষসীক ক'লে, "শুনা, আমি বিপদত। এতিয়া মনে মনে থাকা। মই এই বস্তাৰ চিলাই খুলি থৈ যাম, আৰু যেতিয়া 'ৰাজকুঁৱৰী' বুলি মাতিম—তেতিয়া পট্‌কৈ ওলাই আহিবা।"

গধূলি হ'বৰ হ'ল। গায়ত্ৰীয়ে তাৰপৰা ওলাই যাবলৈ ছেগ বিচাৰি থাকোঁতে কিছু আঁতৰত এঠাইত এজোপা গছৰ তলত অকলশৰে আনন-জিমনকৈ বহি থকা দেখি গায়ত্ৰী তেওঁৰ কাষ চাপিল আৰু তেওঁক ক'লে, "অলপ সময়ৰ পাছতেই আপোনাৰ বিবাহ, আৰু আপুনি ইমান উদাস হৈ বহি আছে—অকলশৰীয়া হৈ? কিয়? এই বিবাহত আপোনাৰ মন নাই নিশ্চয়?"

রাজকুঁৱৰীয়ে ম্লান হাঁহিৰে ক'লে, "জানিছাই যদি—কওঁৱেই তোমাক—মই এই ৰাজকোঁৱৰক বিবাহ কৰাত ইচ্ছুক নহওঁ, মই শিল্পী অভিজিতক ভাল পাওঁ। কিন্তু তুমিনো কোন—?"

"ময়ো এক দুৰ্ভাগিনী। মোকো এজনক দিয়াৰ বন্দবস্ত হৈছিল, কিন্তু মোৰ মনৰ বিৰুদ্ধে সেই বিয়াৰ কথা-বতৰা খাটাং হোৱাৰ আগে আগেই মই ঘৰ এৰি ওলাই আহিছোঁ।" গায়ত্ৰীয়ে প্ৰকৃত ৰাজকুঁৱৰীক বুজাই ক'লে।



ৰাজকুঁৱৰীয়ে তেওঁৰ হাতৰ আঙুলিৰ-পৰা আঙঠি এটা সোলোকাই লৈ গায়ত্ৰীৰ হাতত দিলে আৰু ক'লে, "আঙঠিটো দেখুৱালেই হ'ব—সিংহপুৰীৰ ৰাজকোঁৱৰ তোমাৰ লগত ইয়ালৈ আহিব। তেওঁ সম্ভৱতে আমাৰ আলহী-ঘৰত আছেহি। যোৱা, তেওঁক ইয়ালৈ লৈ আহাঁগৈ। তুমি নিশ্চয় এই কাম কৰিব পাৰিবা।"

গায়ত্ৰীয়ে ক্ষন্তেকমান ভাবি লৈ ৰাজকুঁৱৰীক ক'লে' "কিন্তু — তেওঁক ইয়ালৈ লৈ আহোঁতে যদি কোনোবাই দেখে? আপুনি প্ৰাসাদৰ পিছফালে য'ত খাদ্য-সামগ্ৰী দ'ম হৈ আছে—তাতে মনে মনে বহি থাককগৈ।"

তাৰ পাছত গায়ত্ৰীয়ে আনৰ দৃষ্টিৰ আঁৰ হৈ হৈ গৈ গৈ আলহী ঘৰলৈ গৈ, সিংহপুৰীৰ ৰাজকোঁৱৰক ৰাজকুঁৱৰীৰ আঙঠি দেখুৱাই, ৰাজকুঁৱৰীৰ অনুৰোধৰ কথা কৈ, তালৈ লৈ গ'ল — আৰু ৰাজকোঁৱৰক ৰাজকুঁৱৰীৰ তাত এৰি থৈ নিজে এজোপা গছৰ তলত ৰৈ থাকিল।

সামান্য সময়ৰ অন্তত সিংহপুৰীৰ ৰাজকোঁৱৰ উভতি আহিল আৰু গায়ত্ৰীক গছতলত পাই সুধিলে, "তোমাৰ নামটোনো কি সুধিব পাৰোঁনে?"

"গায়ত্ৰী।" গায়ত্ৰীয়ে লাজ লাজকৈ সংকুচিতভাবে ক'লে।

"গায়ত্ৰী, তোমাক কওঁ শুনা, মোক

ৰাজকুঁৱৰীয়ে বিবাহ নকৰায়, কিয়নো তেওঁ শিল্পী এগৰাকীক ভাল পায়। কিন্তু মই তোমাক ভাল পাই পেলাইছোঁ। আজিৰ এই লগনতে মই যদি তোমাক বিবাহ কৰাওঁ—তুমি সম্মত হ'বানে?" সিংহপুৰীৰ ৰাজকোঁৱৰে গায়ত্ৰীক পোনপটীয়াকৈ সুধিলে।

"কিন্তু—কিন্তু মোত আপোনাৰ যোগ্য হোৱাৰ যোগ্যতা ক'ত? মই সাধাৰণবো সাধাৰণ, যাক বোলে গুণশূন্য একেবাৰে নগণ্য ছোৱালী এজনী!" গায়ত্ৰীয়ে লাজ লাজকৈ ক'লে।

"নিজক সাধাৰণ বুলি জনায়েই—আচলতে অসাধাৰণ।" এই বুলি কৈ, সিংহপুৰীৰ ৰাজকোঁৱৰে গায়ত্ৰীজনীলৈ চাই মিঠাকৈ হাঁহিলে।

এই ঘটনাৱলীৰ কথা যেতিয়া ৰাজকুঁৱৰীৰ পিতৃ-মাতৃয়ে জানিলে। তেতিয়া তেওঁলোকে শিল্পী অভিজিতক মতাই অনালে, আৰু সেই একেখন সভাতে শিল্পীৰ লগত ৰাজকুঁৱৰীৰ আৰু সিংহপুৰীৰ ৰাজকোঁৱৰৰ লগত গায়ত্ৰীৰ বিবাহ মহা সমাৰোহে অনুষ্ঠিত কৰি সমগ্ৰ ৰাজ্যতে মহা সমাৰোহে এমাহব্যাপী বিবাহোৎসৱ পালন কৰাৰ নিৰ্দেশ জাৰী কৰিলে।

মহাৰাজে গায়ত্ৰীক ক'লে, "আই, তোমাৰ কাৰ্য্যত মই অতি প্ৰসন্ন হৈছোঁ। তাই আমাক একোৱেই কোৱা নাছিল। গতিকে—তাইৰ ইচ্ছাৰ বিৰুদ্ধে বিবাহ হোৱাহেঁতেন, যদি কিবা অশুভ প্ৰতিক্ৰিয়া হ'লহেঁতেন — তেনেহ'লে আমাৰ দুখ কুলাই-পাচিয়ে নধৰা হ'লহেঁতেন।—তোমাক কি লাগে কোৱা, আই। তুমি যি খুজিবা, পাবা।"

গায়ত্ৰীয়ে বাউনী ৰাক্ষসীৰ বৃত্তান্ত বিৱৰি মহাৰাজৰপৰা সেই বাউনী ৰাক্ষসীৰ প্ৰাণভিক্ষা কৰিছিল আৰু মহাৰাজে সানন্দে তাইৰ প্ৰাৰ্থনা মঞ্জুৰ কৰিছিল।

অতুল সুন্দৰী

৩

[আগৰ কথা : ছলেৰে অপহৰণ কৰি লৈ অহা অতুল সুন্দৰী কাছান্দ্ৰাৰ বিবাহ মহা পয়োভৰেৰে মোহনৰ লৈতেপতা হ'ল। ' মহাৰাজ মৰ্দনে প্ৰকাশ্যে ঘোষণা কৰিলে : গ্ৰিকইতে অতুল সুন্দৰীক ওভোতাই লৈ যোৱাৰ প্ৰচেষ্টাক মই নিশ্চয় মষিমূৰ কৰিম। কোনো প্ৰকাৰৰ সহজ বা অসহজ পৰিস্থিতিতেই আমাৰ অতুল সুন্দৰীক কালৈকো প্ৰত্যৰ্পণ নকৰোঁ বা এই বিষয়ে আপোচ নকৰোঁ। ধ্বংস হ'ব সি-ও ভাল, তথাপি গ্ৰিকইঁতলৈ আগ-নকৰোঁ সন্ধিৰ থাল। আৰু তাৰ পাছত......]

অতুলসুন্দৰীক ওভোতাই লৈ যোৱাৰ প্ৰচেষ্টা যেতিয়া বিফল হ'ল, ক্ৰিটৰ ৰজা ক্ৰেটোই গ্ৰিক ৰাজন্যবৰ্গলৈ সমিচাৰ প্ৰেৰণ কৰিলে। তেওঁ কৈ পঠালে, অতুল-সুন্দৰী কাছান্দ্ৰাই যেতিয়া স্বয়ম্বৰত মোকেই পতিৰূপে বৰমাল্য দিছিল, তেতিয়া যিকোনো জটিল পৰিস্থিতিত আপোনাসৱে মোক সহায় কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। এতিয়া সময় সমুপস্থিত, মোক সহায় কৰক?

গ্ৰিছদেশৰ সকলোতে ক্ৰেটোৰ দূতসকলে পৰিভ্ৰমণ কৰি সৰু-বৰ সকলো গ্ৰিছীয় ৰাজ্যৰ ৰজাক এই বাৰ্ত্তা দিলে।

ক্ৰেটোই ৰাজন্যবৰ্গলৈ লগতে আৰু লিখি পঠাইছিল :

'যুদ্ধ মোক নিশ্চয় নালাগে। নিৰৰ্থক

প্ৰাণহানিত মোৰ কোনো প্ৰয়োজন নাই। অনাৱশ্যক প্ৰাণহানি ঘোৰ পাপ। মোহনৰ পিতা মহাৰাজ মৰ্দনক বুজাই-বৰাই মীমাংসাৰ চেষ্টাহে ভাল হ'ব। অতুল-সুন্দৰীক— কাছান্দ্ৰাক সসম্মানে প্ৰত্যৰ্পণ কৰে যদি তেওঁ, কোনো প্ৰতিশোধাত্মক ব্যৱস্থা গ্ৰহণ কৰা নহ'ব। কিন্তু আমাৰ এই শুভ ইচ্ছাক যদি মৰিমূৰ কৰা হয়, যুদ্ধ বিনে পথ নাই, আৰু সেই যুদ্ধলৈ আপোনালোকৰ সহায়তা লাগিবই। আপোনালোকৰ এই সহায়তা হ'ব সত্য আৰু ন্যায়ৰ পক্ষে সহায়তা।'

দূত প্ৰেৰণ কৰাৰ উপৰিও, ক্ৰেটো আৰু তেওঁৰ ককায়েক প্ৰেটোই ঈথাকা ৰজ্যৰ ৰজা ৰূপধৰৰ সৈতে সাক্ষাৎ কৰিবলৈ তেতিয়াই যাত্ৰা কৰিলে।

ঈথাকা-ৰাজ ৰূপধৰে ট্ৰয়ৰ বিৰুদ্ধে যুদ্ধ নকৰিব বুলি প্ৰথমৰেপৰাই সাব্যস্ত কৰিছিল। কিয়নো—এই যুদ্ধত যোগ দিলে তেওঁ অবৰ্ণনীয় ক্লেশত পৰিব বুলি স্বপ্নদৰ্শন কৰিছিল। গতিকে—ক্ৰেটো আৰু প্ৰেটোৰ আগমনৰ কথা জানি, ৰূপধৰে ৰজাৰ ৰূপ পৰিৱৰ্তন কৰি এজন হালোৱাৰ ৰূপ ধৰি যুঁৱলিত এটা গৰু আৰু এটা গাধ সাঙুৰি লৈ তেওঁ হাল বাই থাকিল। তেতিয়া তাত ৰূপধৰৰ পত্নী পদ্মমুখীও আছিল শিশু এটিক কোলাত লৈ। কিন্তু ক্ৰেটো আৰু প্ৰেটোক দূৰৰপৰা আহিবলৈ ধৰা দেখি শিশুটিক পথাৰতে এৰি থৈ তেওঁ তাৰপৰা গুচি গ'ল।

আৰু তেতিয়াই ক্ৰেটো আৰু প্ৰেটোও তাত উপস্থিত হ'ল।

ৰূপধৰে ক্ৰেটো-প্ৰেটোক ভাঁৰিব নোৱাৰিলে, আৰু তেওঁ বাধ্যত পৰি ট্ৰয়ৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ পূৰ্ণ সম্মতি দিলে।

*

যুদ্ধত ভাগ ল'বলৈ অনেক ৰজা ট্ৰয়ৰ নগৰত সম্মিলিত হৈছিল, কিন্তু এওঁলোকৰ মাজত যুদ্ধলৈ একেবাৰে মন নথকা

কিছুমান সৰু-সুৰা ৰজা নথকা নাছিল।

*

ইপিনে — গ্ৰিকসকলে জ্যোতিষ-শাস্ত্ৰৰ সহায়ত অৱগত হৈছিল যে—বজ্ৰকায় নামৰ যুৱা এগৰাকীৰ প্ৰত্যক্ষ সহায়তা বিনে ট্ৰয় নগৰক পদানত কৰা সম্ভৱ নহ'ব। বজ্ৰকায় আছিল তৰনি নামৰ এগৰাকী নাৰীৰ সপ্তম পুত্ৰ। সেই নাৰীৰ একমাত্ৰ বাসনা আছিল--তেওঁৰ পুত্ৰ জগতৰ শ্ৰেষ্ঠ যোদ্ধা হওক।

সৰুৰেপৰাই বজ্ৰদেহী বজ্ৰকায়ৰ মাজত অদমনীয় সাহসৰ অপাৰ স্ফূৰণ পৰিলক্ষিত হৈছিল। ছবছৰীয়াতে বনৰীয়া গাহৰি মাৰিছিল, সৰুসুৰা বাঘও মাৰিছিল।

যুদ্ধত বজ্ৰকায়ৰ সহায়তা লভিবলৈ ৰূপধৰ, ভূধৰ, আৰু নৰধ্বনি ৰজা বজ্ৰকায়ৰ কাষ চাপিল।

কিন্তু বজ্ৰকায়ৰ মাতৃ তৰনিয়ে এই কথা জানিছিল যে এই যুদ্ধলৈ ওলায় যদি, পুত্ৰ বজ্ৰকায় তাৰপৰা জীয়ন্তে উভতি আহিব নোৱাৰিব। গতিকে — তেওঁ তেওঁৰ মৰমৰ পুত্ৰ বজ্ৰকায়ক তিৰোতাৰ সাজ-পাৰ পিন্ধাই এগৰাকী ৰজাৰ অন্তেঃপুৰত থৈ দিলে।

বজ্ৰকায়ক বিচাৰি অহাসকলে আন সকলোকে বিচাৰি পালে, কিন্তু

বজ্ৰকায়কহে নাপালে। ৰূপধৰৰ মনত চোভা হ'ল—বজ্ৰকায় হয়তো তিৰোতাৰ ভেশ লৈ ক'ৰবাত আছেগৈ।

এই কথা ভাবি ৰূপধৰ ওলাই গ'ল, আৰু ৰাজ-অন্তেঃপুৰৰ মহিলাসকলৰ কাৰণে বিভিন্ন মূল্যৱান উপহাৰ লৈ আহিল আৰু সকলোফালৰেপৰাই দেখা পোৱা ঠাই এডোখৰত দ'মাই থৈ দিয়া হ'ল। অন্তঃপুৰিকাসকলে নিজৰ নিজৰ ৰুচি মতে তাৰপৰা উপহাৰ বাছি লোৱাত যেতিয়া ব্যস্ত, তেতিয়া ৰূপধৰৰ বন্দৱস্ত মতে ৰাজপ্ৰাসাদৰ বাহিৰত ভেৰী বাজি উঠিল আৰু মুহূৰ্ত্ততে তিৰোতাৰ সাজ-পাৰ

এৰি বজ্ৰকায়ে তাৰ হাতত য.ঠি আৰু ঢাল লৈ তীব্ৰ গতিৰে যুদ্ধলৈ খোজ লওঁতেই ৰূপধৰেৰ জ্ৰকায়ক গবা মাৰি ধৰিলে আৰু তেতিয়া বজ্ৰকায়ে যুদ্ধত সম্মতি দিলে।

গ্ৰিছদেশৰ জাহাজ ওলিছ বন্দৰত আছিল। ক্ৰিটৰ ৰজাৰ বাৰ্তাবাহী এজনে ৰাজকীয় বাৰ্তা কঢ়িয়াই লৈ আহিল যে— ৰাৰাজাৰ সৈতে তেওঁকো যদি সেনাপতিৰূপে লোৱা হয়, তেনেহ'লে তেওঁ নিজৰ এশখন জাহাজৰে সৈতে এই যুদ্ধত ভাগ ল'বলৈ সাজু। এই বাৰ্তাবাহী হ'ল অতুলসুন্দৰী কাছান্দ্ৰাৰ স্বয়ম্বৰত ভাগ লোৱা এজন ৰাজকোঁৱৰ।

দেখন-দৰ্পণে ৰূপৱান এই বৰ্তাবাহীৰূপী ৰাজকোঁৱৰক স্বীকাৰ কৰি লোৱা হ'ল। ক্ৰেটো আৰু প্ৰেটোই জানিছিল যে মহাৰাজ মৰ্দন অতি শক্তিশালী শত্ৰু। সেই কাৰণে সৰ্বতোপ্ৰকাৰে সাজু হৈহে তেনেহেন শত্ৰুক আক্ৰমণ কৰিব লাগে।

আৰু তেওঁলোকে আশা কৰা মতেই প্ৰায় সকলো হ'ল। যুদ্ধৰ কাৰণে সৰু-বৰ সকল গ্ৰিক ৰজা প্ৰস্তুত হ'ল।

এই যুদ্ধত সৰ্বাধ্যক্ষ মনোনীত হ'ল ৰাৰাজা। তেওঁৰ অধীন উপনায়ক আছিল ৰূপধৰ, প্ৰবোধ, দেৰময়। জাহাজৰ ভাৰপ্ৰাপ্ত হৈছিল বজ্ৰকায়। বজ্ৰকায়ৰ তলতীয়া আছিল ভূধৰ, ৰক্তবৰ্ণ, আৰু পিলসৰ ৰজা নৰধ্বনি। নামত নৰধ্বনি



কিন্তু ৰজা হিচাপে পুৰণি। পুৰণিদিনীয়া ৰজা, কিন্তু তেওঁৰ যুদ্ধ-কৌশল আছিল অদ্বিতীয়। তেওঁ উচ্চস্তৰৰ বিবেকৱান। বিগত তিনিও পুৰুষৰপৰা তেওঁলোকৰ সুশৃংখল ৰাজত্ব। প্ৰতি পুৰুষতে ৰণমত্ততাৰ খ্যাতি আছিল, এতিয়াও আছে।

ৰাৰাজাৰ দিহা নোহোৱাকৈ কোনো প্ৰকাৰৰ ৰণ-কৌশল স্থিৰীকৃত নহ'ব, বা কোনেও এটি খোজও আগ বাঢ়ি যাব নোৱাৰিব। যুদ্ধৰ পৰিস্থিতি বিবেচনাত তেওঁৰ সমকক্ষ কোনো নাই।

ভূধৰো মহাৰথী। সাহস আৰু শক্তিত বজ্ৰকায়ৰ পৰৱৰ্তীও ভূধৰেই। তেওঁ আনকি দেৱতাসকললৈকো ভ্ৰূক্ষেপ নকৰে, আত্ম শক্তিত তেওঁ ইমানেই বিশ্বাসী। যুদ্ধ যাত্ৰা কালত যেতিয়া ডাঙৰসকলে আশীৰ্বাদ কৰি কৈছিল, 'পুত্ৰ, দেৱতা-সকলৰ আশীৰ্বাদত যুদ্ধতে বিজয় লাভ কৰি উভতি আহাঁগৈ'—তেতিয়া ভূধৰে কৈছিল, "দেৱতাৰ সহায় কাপুৰুষকহে লাগে, মই আত্মশক্তিৰেই শত্ৰুক ছিন্নভিন্ন কৰি বিজয়গৰ্বেৰে উভতি আহিম।"

দেৱময়ে অতুলসুন্দৰীক পাবলৈ মনে-চিতে বাঞ্ছা কৰিছিল আৰু অতুলসুন্দৰীক অপহৰণ কৰি লৈ যোৱাত মোহনৰ প্ৰতি সবিশেষ ক্ৰুদ্ধ হৈছিল।

ডিলোসৰ ৰজা মুক্তৰে গ্ৰিক সেনাইতৰ কাৰণে আৱশ্যকীয় খাদ্যৰ যোগান ধৰিলে।

গ্রিক সৈন্যইঁতে মিছিয়াকে ট্রয় বুলি ভাবি মিছিয়াত লুট-পাত কৰিবলৈ ধৰাত মিছিয়াৰ ৰজাই বাধ্যত পৰি যুদ্ধ কৰিলে, আৰু তাৰ ফলত অসখ্য গ্রিক সৈন্য আহত হ'ল। যথাসময়ত ৰজ্রকায় তাত উপস্থিত নোহোৱাহঁতেন অপৰিণামদৰ্শী গ্রিকহঁতৰ ক'লৈ যাওঁ গোপাল-ক'লৈ যাওঁ কুপাল লাগি গ'লহেঁতেন।

তাৰ পাছত, এবছৰৰ মাজতে গ্রিকহঁতে ট্রয় আক্রমণ কৰিবলৈ পুনৰ সাজু হ'ল, কিন্তু বতৰ অনুকূল নাছিল। তাৰ পাছত তেওঁলোকে যেতিয়া দেৱতাক বলি উৎসৰ্গ কৰিলে, তেতিয়া বতৰ পৰিৱৰ্তিত হ'ল আৰু জাহাজবোৰ সমুদ্রৰ বুকুত ভাহিল।

জাহাজেৰে যুদ্ধযাত্রা কৰাৰ আগতে ৰাৰাজাৰ নির্দেশমতে দেৱাৰ্চনা কৰা হ'ল, বলি উৎসৰ্গিত হ'ল। কৌশক নামক এগৰাকী দেৱজ্ঞকো নিযুক্ত কৰা হ'ল, জাহাজৰ অ-যোদ্ধা দিগদৰ্শক হিচাপে। কিন্তু সমুদ্রৰ পথ সম্পৰ্কে কৌশক আছিল অনভিজ্ঞ। সেইহে, এই কথা নির্দ্বিধই ক'ব পাৰি যে—যথাযোগ্য দিগদৰ্শক নোহোৱাকৈয়েই গ্রিক-জাহাজবাহিনী ট্রয়ৰ সমুদ্র-উপকূল পোৱাৰ পৰিৱৰ্তে দক্ষিণ দিশৰ মিছিয়া-উপকুল পাইছিলগৈ; যদিও গ্রিক সৈন্যইতে মিছিয়া-উপকূলকে ট্রয়ৰ উপকুল বুলি ভাবিছিল।

দীঘলীয়া সমুদ্রযাত্রাৰ অন্তত সেই গ্রিক-বাহিনীয়ে লেছপছ দ্বীপ পালেহি। এই দ্বীপৰ ৰজাই গ্রিক-বীৰসকললৈ আদৰণি জনালে আৰু আতিথ্য প্রদান কৰিলে। তেওঁ অতিথিবৰ্গক মল্লযুদ্ধলৈ আহ্বান জনালে, আৰু সমগ্র গ্রিক-বাহিনীৰ হৈ ৰূপধৰে মল্লযুদ্ধত অংশগ্ৰহণ কৰি লেছপছ দ্বীপৰ ৰজাক পৰাজিত কৰিলে।

তাৰ পাছত গ্রিক-বাহিনীয়ে লেছপছ এৰি টনিটোছলৈ গ'ল। টনিটোছৰপৰা ট্রয়ৰ দূৰত্ব আছিল দহ ক্রোশমান। ট্রয়ৰ

দুর্গৰ প্ৰাচীৰত থিয় হৈ টানিটোছ দেখা গৈছিল। আৰু সকলোকে টনিটোছতে এৰি থৈ ৰূপধৰ আৰু অতুলসুন্দৰীৰ পতি ক্ৰেটো—সন্ধিৰ আশা মনত লৈ ট্ৰয় নগৰ পালেগৈ।

কিন্তু তেওঁলোকৰ দৌত্য ব্যৰ্থ হ'ল। অতুলসুন্দৰীক প্ৰত্যৰ্পণ কৰাত মহাৰাজ মৰ্দন তথা ট্ৰয়বাসী সন্মত নহ'ল।

যেতিয়া দৌত্য ব্যৰ্থ হ'ল, গ্ৰিক-বাহিনী টনিটোছৰপৰা ট্ৰয়লৈ ধুমুহা অহাদি আহিল। কিন্তু ট্ৰয়ৰ সমুদ্ৰতটত থিয় হৈ অসংখ্য ট্ৰয়বাসীয়ে গ্ৰিক-বাহিনীলৈ লক্ষ্য কৰি ধূমাৰ্জয় ধুমুহাৰ দৰে চটাচটে শিল দলিয়াবলৈ ধৰিলে। অন্যান্য বহু ধৰণেও গ্ৰিক-বাহিনীক বাধা দিবলৈ চেষ্টা কৰিলে; কিন্তু এই প্ৰচেষ্টা সম্পূৰ্ণ ব্যৰ্থ হ'ল।

কিয়নো সন্মিলিত গ্ৰিক-বাহিনীৰ আগত এটি দুৰ্লংঘ্য বাধাই মূৰ দাঙি ট্ৰয়ৰ সমুদ্ৰ-তটত নামি অহাৰপৰা তেওঁলোকক বিৰত ৰাখিলে। কথা হ'ল—ট্ৰয়ৰ মাটিত প্ৰথমে পদাৰ্পণ কৰিব কোনে? জ্যোতিষীয়ে কোৱা মতে—ট্ৰয়ৰ মাটিত প্ৰথমে ভৰি দিয়া গ্ৰিক সৈন্যজনৰ মৃত্যু অৱধাৰিত। এই মৃত্যুক এৰাব পৰা কোনো উপায়েই নাই। এই জ্যোতিষ-বাণীত সকলো গ্ৰিকেই বিশ্বাসী। গতিকে—ট্ৰয়ৰ মাটিত পদাৰ্পণ কৰাত সকলো ভীত হৈ আছিল।

যি কি নহওক—অৱশেষত চন্দ্ৰপ্ৰভু নামৰ গ্ৰিক বীৰ এগৰাকীয়ে প্ৰথম পদাৰ্পণ কৰিলে আৰু তেওঁ বহুতো ট্ৰয়-সৈন্যকো বধিলে। চন্দ্ৰপ্ৰভুৰ পিছে পিছে নামি আহিছিল বজ্ৰকায়। আৰু বজ্ৰকায়ে অসংখ্য ট্ৰয়-সেনাক বধ কৰাৰ উপৰিও সিহঁতক ছত্ৰভংগ কৰি খেদি পঠালে।

আৰু এই দৰে ট্ৰয়-সৈন্য যেতিয়া উৰিল-ধাতু উৰিল-জীউ হ'ল — গ্ৰিক সৈন্যহঁত দলে দলে ট্ৰয়ৰ মাটিত নামি আহি পূৰ্ণৰূপে ৰণশিঙা বজাই দিলে। [আগলৈ

সমবাদ-বি-সমবাদ

কোনটোনো টান?

নাৰিকলৰ খোলা গুচোৱা বৰ টান কাম; কিন্তু দক্ষিণ ভাৰতৰ কেৰলস্থিত কালিকটৰ 'জোছে'ৰ কাৰণে এই কামটি মুঠেই টান নহয়। জোছেই এটা নাৰিকলৰ খোলা গুচাওঁতে মাত্ৰ ২০ ছেকেণ্ডমান সময়হে ল'ব—তাৰ দাঁত দুপাৰিৰ সহায়ত। জোছে হ'ল এজন ৩২ বছৰীয়া অ্যাড ফিল্ম মেকাৰ, অৰ্থাৎ বিজ্ঞাপন-বোলছবি-নিৰ্মাতা। এওঁ নিজৰ নামটো গিনেজ বুকত যুক্ত কৰিবলৈ চেষ্টা চলাইছে। কেঁচা হ'লে তো কথাই নাই, আনকি শুকান নাৰিকলৰ খোলাও ৩০ ছেকেণ্ডত গুচাব পাৰে। কিন্তু জোছেৰ ভয় হৈছে যে—এই বিষয়ে গিনেজ-কৰ্তৃপক্ষৰ টানৰো টান নিদ্ৰা গুচাব পাৰিবনে?

আজিৰ 'কামধেনু'!

গাইজনীৰ নাম শ্যামা, হৰদোৱাৰৰ—অৰ্থাৎ ৰবিদ্বাৰৰ আশ্ৰম এখনত আছে। তাৰ ৰাইজে এইজনীক 'কামধেনু' বুলি কোৱা হয়। কিয়নো—এইজনীয়ে দিনে ১৫ লিটাৰকৈ, আনকি ছয় লিটাৰতকৈ কম গাখীৰ ছেদ-ভদ নোহোৱাকৈ দিয়ে। ১৯৮০ চনত শ্যামাই যেতিয়া সন্তান প্ৰসৱ কৰিছিল, তেতিয়া ৩০—৪০ লিটাৰকৈ গাখীৰ দিছিল। ১৯৮২ চনত পুনৰ সন্তান হ'ল, কিন্তু শ্যামাৰ গাখীৰৰ সোঁত বন্ধ নহ'ল। শ্যামা এতিয়া ১৭ বছৰীয়া, কিন্তু তাই ১৩ বছৰীয়া 'আৰতি'জনী ইতিমধ্যেই দাঁত-নোহোৱা হৈ পৰিল। হিমালয়ৰ পাদদেশত অৱস্থিত এই আশ্ৰমৰ পৰিচালকসকলে গিনেজ বুকৰ নাম শুনিছেনে বাৰু?



লাগেনে মটৰগাড়ী?

লনডনৰ ৰ্যাফ (RAF) জাদুঘৰত পৃথিৱীৰ দীৰ্ঘতম মটৰগাড়ীখন সুন্দৰভাৱে সুৰক্ষিত আছে। এইখন হ'ল ১৯৪২ চনৰ মডেলৰ ক্যাডিলাক, ২২ মিটাৰ দীঘল আৰু প্ৰায় ৫-মহলা ঘৰৰ সমান ওখ। ওজন—৭ টনতকৈ কিছু অধিক। ঠাই খালী কৰিব লাগে আৰু অন্যান্য কাৰণতো এই বিশ্বৰ বৃহত্তম-দীৰ্ঘতম মটৰগাড়ীখন বেচা হ'ব। লয় যদি—যোগাযোগ কৰক।

সততা—মূৰ্খতা

তথাপি ৰজা বিক্ৰমাদিত্য অলপ নদমিল। প্ৰতিজ্ঞাৱদ্ধ ৰজাই পুনৰ সেই মৃতদেহটো গছৰ ডালৰপৰা নমাই আনি, কান্ধত পথালিকৈ ওলোমাই লৈ শিয়াল-সৰ্প, ভূত-প্ৰেতৰ আবাস মৰিশালিলৈ গৈ থাকিল। এইবাৰ মৃতদেহত থকা বেতালে কৈ উঠিল, "হে ৰজা, কোৱা, যুগ যুগ ধৰি তুমি যে অসম্ভৱকো সম্ভৱ কৰি তুলিবলৈ প্ৰয়াস কৰিছা, ইমান ধৈৰ্য নিষ্ঠা প্ৰদৰ্শন কৰিছা, তাৰে কিবা উল্লেখযোগ্য ফল লভিব পাৰিছানে ? জানি থোৱা, নিষ্ঠা, সাহস, ধৈৰ্য্য, বিবেক আদি সদায় সকলোতে প্ৰশংসিত নহয়, জন-সমাজৰ মুধাফুটাহঁতে সততা বা সদাচৰণক মূৰ্খতাৰ নামান্তৰ বুলিয়েইছে ভাবে। এই বিষয়ে তোমাক বিবেক কাহিনী কওঁ, শুনা এই কাহিনীয়ে তোমাক নিশ্চয় ভবাব।" এই বুলি কৈ, বেতালে পুনৰ ৰজাক ক'বলৈ ধৰিলে :

'বেতাল-কথা'

বিবেক আছিল তেওঁৰ পিতাকৰ একমাত্ৰ সন্তান, আৰু আছিল পিতাকৰ দৰেই সদ্‌গুণসম্পন্ন আৰু সৎ।

এসময়ত পিতাক বিনয় কলিজা-ঘটিত বেমাৰত আক্ৰান্ত হ'ল আৰু চিকিৎসকে নিশ্চিন্ত বিশ্ৰামৰ উপদেশ দিলে, বাহিৰা বা ঘৰুৱা কাম-বনবো দায়িত্ব পুত্ৰৰ হাতত সঁপিবলৈ ক'লে।

চিকিৎসকে কোৱা মতেই পিতৃভক্ত বাধ্য পুত্ৰ বিবেকে পিতাকৰ সকলো কৰ্মভাৰ নিজৰ কান্ধত ল'লে।

কেইদিনমানৰ অন্তত চুবুৰীয়া গাঁৱৰ-বিবেকৰ খুড়াকৰ ল'ৰা জগন বিবেকহঁতৰ ঘৰলৈ আহিল। জগন্নাথে ইকথা-সিকথাৰ অন্তত বিবেকক ক'লে, "চোৱাঁ, তোমাৰ দেউতাৰাই আমাৰ দেউতাৰ সা-সম্পত্তি কিছুখিনি আত্মসাৎ কৰিলে। আমাক—সঁচা কথা ক'বলৈ হ'লে প্ৰকৃতাৰ্থত তেওঁ প্ৰতাৰণায়ে কৰিছিল বুলি ক'ব পাৰি গতিকে—তুমি যদি প্ৰকৃততেই পিতৃভক্ত পিতৃবাধ্য ধৰ্মিষ্ঠ বিবেকবান, মোক এতিয়া সহায় কৰাটো তোমাৰ কৰ্তব্য।"

শুনি বিবেক স্তম্ভিত হ'ল। বিবেকে ক'লে, "কি কোৱাহে, আমাৰ পিতা—দহোখন গাঁৱৰ ৰাইজে জানে, পৰোপকাৰী মানুহ। তেনেস্থলত — তুমি কিয়নো এনেবোৰ মিছা কথাৰ ভঁৰাল ভৰিছা?"

"সঁচা-মিছাৰ প্ৰমাণ তোমাৰ দেউতাৰাৰ আগতেই সাব্যস্ত কৰা যাব। ব'লা, তেওঁৰ ওচৰলৈ যোৱা য'ক, পদে-পৰমাণে চয়-নিচয় হওকেই।"

"শুনা, আমাৰ পিতা এতিয়া কলিজাৰ বেমাৰী। গতিকে—এনে সময়ত তেওঁক মানসিক আঘাত দিয়াটো অনুচিত হ'ব। মই তেওঁৰ ককাই-ভাই য'ত যত আছে, তেওঁলোকক সুধিমগৈ, তেওঁলোকেও যদি তোমাৰ দৰেই কয়, তেনেহ'লে তোমাৰ কথা মানি ল'ম। কিন্তু তুমি তেতিয়ালৈকে একো নকৰা যেন, অনুগ্ৰহ কৰি অন্ততঃ-

পক্ষে এতিয়া আমাৰ পিতাক অশান্তি নিদিয়া যেন।" বিবেকে জগন্নাথক ক'লে।

জগন্নাথ আছিল অতি বদমাছবিধৰ। তাৰ দেউতাকে তাৰ এই বেয়া স্বভাৱৰ কাৰণে কেইবাবাৰো ঘৰৰপৰা খেদিছিল।

বিবেক জগন্নাথৰ দেউতাকৰ ওচৰলৈ গ'ল। জগন্নাথৰ বিষয়ে বিবেকক সাৱধান হৈ থাকিবলৈ ক'লে তেওঁ। আৰু— ককায়েক বিনয়ৰ সৎ জীৱনধাৰাৰ ভূয়সী প্ৰশংসাও কৰিলে তেওঁ।

বিবেক ইমানতে ক্ষান্ত নহ'ল, অন্যান্য জেঠাক-খুড়াক সকলৰ ওচৰলৈকো গ'ল। তেওঁলোকেও এক কথাত বিবেকৰ দেউতাকক দেৱতাৰ সমান সৎ আৰু মহৎ চৰিত্ৰৰ বুলি ক'লে।

কিন্তু ইতিমধ্যেই যে বিবেকহঁতৰ ঘৰত দুৰ্ঘটনা ঘটিল, সেই কথাটোহে বিবেকে নাজানিলে।

বিবেক ঘৰৰপৰা গুচি যোৱাৰ পাছত জগন্নাথ বিবেকৰ দেউতাকৰ কাষ চাপিছিল আৰু তেওঁৰ নামত অজস্ৰ দোষাৰোপ কৰিছিল; আৰু—সেই মিছা দোষাৰোপবোৰ সহিব নোৱাৰি তেওঁ তৎক্ষণাৎ প্ৰাণত্যাগ কৰিছিল।

এনেহেনৰ ঘটনা ঘটিব —জগন্নাথে ভাবিবই পৰা নাছিল। জগন্নাথে বিবেকৰ



ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিব বুলি ভাবিলে। কিন্তু বিবেকে তাক লেই লেই ছেই ছেই কৰি খেদি দিলে।

পিতাকৰ এনে দুখলগা অকালমৃত্যুত বিবেক মৰ্মাহত হ'ল। এবছৰমান বিবেক শোকগ্ৰস্ত হৈ থাকিল। কিন্তু তাৰ পাছত, মাকৰ নেৰা-নেপেৰা অনুৰোধত বিবেকে বিয়া কৰাৰ কথাত সন্মতি দিলে।

মাকে পছন্দ কৰা ছোৱালী বিবেকৰো পছন্দ হ'ল।

ছোৱালীৰ দেউতাকে বিবেকক ক'লে, "বোপা, তোমালোকৰ উত্তম বংশৰ বিষয়ে তোমাৰ খুড়াদেউৰাৰ ল'ৰা জগনে আমাক

বহুত কথা ক'লে। মই প্ৰথমতে—তাকেই —জগনকে জোঁৱাই কৰিম বুলি ভাবিছিলোঁ। কিন্তু জগনে নিজেই ক'লে যে সি হেনো আমাৰ ছোৱালী বিনীতাৰ পক্ষে অযোগ্য, আৰু তোমাক জোঁৱাই হিচাপে ল'বলৈ সিয়েই আমাক ক'লে।"

জগন্নাথৰ মাজত পৰিৱৰ্তনৰ কথা জানি বিবেকৰ মাকে বৰ ভাল পালে; কিন্তু বিবেকে বিৰক্তিৰে ক'লে, "জগন হ'ল আমাৰ শত্ৰু। সি যদি ইমানবোৰ কথা কৈছে, কিবা অভিসন্ধি তাৰ মনত আছেই। গতিকে—এই বিয়া—নকৰোঁ মই।"

কিছুদিনৰ অন্তত—জগন্নাথৰ সৈতে একেবাৰে চা-চিনাকি নথকা পৰিয়াল এখনত বিবেকে বিয়া কৰালে। বিয়াত জগন্নাথক নামাতিলে।

পাছত জগন্নাথৰো বিয়া পতা হ'ল। জগন্নাথ নিজেই আহিল বিবেকক পা-পৰিয়ালে নিমন্ত্ৰণ কৰিবলৈ। নিমন্ত্ৰণ কৰিলে, কিন্তু বিবেক নগ'ল।

প্ৰায় এবছৰৰ অন্তত বিবেকহঁতৰ ঘৰৰ প্ৰায় লগতেই থকা দহ হালিচা মাটি বেচিব বুলি মাটিৰ মালিকে কোৱাত আৰু দামও কম হোৱাত বিবেকে কিনিব বুলি স্থিৰ কৰিলে। কিন্তু এহেজাৰ টকা কম পৰাত, টকা এহেজাৰ ধাৰলৈ লোৱাৰ কথা চিন্তা কৰি থাকোঁতেই চহৰৰপৰা ৰংগনাথ নামৰ পাচলিৰ বেপাৰী এজন বিবেকৰ ওচৰলৈ আহিল আৰু বিবেকৰ খেতিৰ এবিধ বিশেষ পাচলি বঢ়া দামত কিনিবলৈ বিচাৰিলে, আৰু এইদৰে বিবেকৰ এহেজাৰ টকাৰ সমাধান হৈ গ'ল।

বিবেকে ৰংগনাথক ক'লে, "কিন্তু এই কথা ভাবি মই আচৰিত মানিছোঁ যে মোৰ খেতিত স্কোয়াছ নামৰ ইবিধ পাচলিৰ কথা আপুনি জানিলে কেনেকৈ?"

"আপোনাৰ খুড়াদেউতাৰ ল'ৰা জগনে মোক ক'লে কথাটো।" ৰংগনাথে স্কোয়াছ-

ৰহস্যৰ সমাধান কৰি দিলে।

বছ, জগন—জগন্নাথৰ নাম শুনিয়েই মাটিত সাত কিল। ঘৈণীয়েকে বিবেকক বুজালে, কিন্তু কোনো ফল নহ'ল, বিবেকে ৰংগনাথক পাচলি নেবেচিলে। ঘৈণীয়েকে গিৰিয়েক বিবেকক ক'লে, "জগনে যি কৰিছিল—অন্যায় আছিল; কিন্তু এতিয়া তেওঁ নিজক শুধৰাইছে। অনুতাপ কৰিলে ঘোৰ পাপীও তৰে। গতিকে—জগনকো আৰু শাস্তি দিব নাপায়। আৰু—ইমান শত্রুতা মনত পুহি আপোনাৰহে লোকচান হৈছে।"

"শুনা। জগন হ'ল মোৰ শত্রু। সি ঘোৰ অবিশ্বাসী। তাৰ অনুতাপতো মই বিশ্বাস নকৰোঁ। তাক—আনকি অযথা অবিশ্বাস কৰিও যদি মোৰ কিবা লোকচান হয়েই—হওক।" বিবেকে ক'লে।

বিবেক আৰু জগনৰ মাজত থকা আঁৰিয়াআঁৰিৰ কথা এতিয়া গাঁৱৰ প্ৰায় সকলোটিয়েই জানে। কিছুমানে এই আঁৰিয়াআঁৰিৰ সুবিধাও নোলোৱা নহয়।

এদিন মোলক আৰু ঢোলক বিবেকৰ ওচৰলৈ আহিল নাৰিকল কিনিবলৈ। সিহঁতে এটা ফন্দী পাতিলে। দুয়ো নিজৰ মাজত নাৰিকলৰ কথাত কাজিয়া আৰম্ভ কৰিলে। তাৰ পাছত মোলকেই প্ৰথমে

বিবেকৰ লগত কথা পাতিলেগৈ, ক'লে, "জগনে ঢোলকক কিবা এটা উপায়ৰ কথা কৈ দিছে। ঢোলকে কয়—বোলে সিয়েই আটাইবোৰ নাৰিকল কিনি লৈ যাব, মোক কিনিবলৈ নিদিব।"

বিবেকে সেই দিনাই বাৰীৰ আটাই-বোৰ নাৰিকল মোলকক বেচি দিয়াত ঘৈণীয়েকে কিবা ৰহস্যৰ গোন্ধ পাই গিৰিয়েকক ক'লে "জগনৰ নাম লৈ কিছুমানে আপোনাক দেখোন ভাঁৰিছে-ঠগিছে, আপোনাৰ দুৰ্বলতাৰ সুবিধা লৈছে। জগনক বিশ্বাস কৰিলে আপোনাৰ এনেবোৰ—লোকচানও নহ'ব, ৰাইজেও



আপোনাৰ অনেক শলাগ ল'ব।"

বিবেকে ঘৈণীয়েকৰ ওপৰত বিতুষ্ট হৈ ক'লে, "কোনে মোক ভাঁৰিছে, কোনে ঠগিছে—সকলো মোৰ নখ-দৰ্পণত। কিন্তু দিনে দিনে আমাৰ অৱস্থা টনকিয়ালহে হৈছে, অধঃপাতে নগৈছে—এই কথালৈ মন কৰিলেহে ভাল। মই তাক এই জনমতো আৰু বিশ্বাস নকৰোঁ, কিয়নো, প্ৰকৃততে সিয়েই মোৰ পিতৃহন্তা। মোৰ যদি বদনাম হৈছে—হওক, হৈ থাকক।"

তাৰ পাছত ঘৈণীয়েকে আৰু এদিনৰ বাবেও বিবেকৰ ওচৰত ভুলে-পহৰণেও জগনৰ নাম লোৱা নাছিল।

কিছুদিনৰ অন্তত এদিন এক বিচিত্ৰ ঘটনা ঘটিল।

জগন এদিন বিবেকহঁতৰ গাঁৱলৈ কিবা কামত আহিছিল, আৰু সাঁজ লাগি ভগাৰ পাছত উভতি যাওঁতে জগনক বিষাক্ত সাপ এটাই খুটিছিল। লগে লগে মানুহ কিছুমান গোট খাইছিল, কিছুমানে বেজক বিচাৰি গ'ল, কিছুমানে এনেয়ে থিয় হৈ থাকি এচ্ আচ্ কৰি থাকিল, আৰু ঠিক তেতিয়াই এজনৰ মুখে খবৰ পাই বিবেক লৰৰি আহিল আৰু জগনৰ সাপে-খোটা ভৰিখন দুয়ো হাতেৰে দাঙি লৈ বিবেকে মুখেৰে সেই ঠাইৰ তেজ শুহি শুহি থুৱাই পেলাবলৈ ধৰিলে। এইদৰে বাৰে বাৰে কৰাত এসময়ত বিবেকো অচেতন হৈ পৰিল। তাৰ পাছত বেজ আহিল, দুয়োকো এজনৰ ঘৰলৈ লৈ যোৱা হ'ল আৰু বেজে দুয়োকো চিকিৎসা কৰিবলৈ ধৰিলে।

এনে বিচিত্ৰ ঘটনা দেখি কিছুমানে ক'লে, বিবেকে ইমানদিনৰ অন্তত নিজৰ ভুল বুজি পাইছে হ'বলা। এনেকুৱা এটা সুবিধালৈ কিজানি ছেগ চায়েই আছিল সি। আৰু—মৰিবলৈ ধৰাক ৰক্ষা কৰাৰ উপায় জানিও ৰক্ষা নকৰাৰ অৰ্থ হ'ল—হত্যা কৰা। সেই পাপৰ ভয়তে হয়তো

বিবেকৰ এই সৎ আচৰণ।"

কিছু সময়ৰ অন্তত দুয়ো জনেই চেতনা ঘূৰাই পালে আৰু বেজে দুয়োকো বিপদ-মুক্ত বুলি ঘোষণাকৰিলে।

জগনে যেতিয়া সকলোখিনি কথা জানিলে, তেতিয়া বিবেকক ক'লে, "তুমি সাধাৰণ মানুহ নহয়, মহাত্মা। তোমাৰ ঘোৰ শত্ৰুৰ তুমি প্ৰাণ ৰক্ষা কৰিলা, তাক পুনৰ্জীৱন ঘূৰাই দিলা!" জগনে বিবেকৰ ভৰি চুই প্ৰণাম কৰিলে।

"তোমাৰ প্ৰশংসা মোক নালাগে, তুমি এতিয়াও মোৰ শত্ৰুৰেই হৈ আছা।" এই বুলি কৈ, বিবেক তাৰপৰা গুচি গ'ল।

ইমানলৈকে কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! জগন একপ্ৰকাৰে বিবেকৰ পিতৃৰ হত্যাকাৰী, এই কথা অভ্ৰান্ত। কিন্তু তথাপি বিবেক কিয় জগনহেন শত্ৰুক মৰণৰ দুৱাৰৰপৰা ঘূৰাই আনিছিল—সেই কথাৰ সদুত্তৰ জানিও যদি নোকোৱা তোমাৰ মূৰ ফাটি চাৰিফাল হওক।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "বিবেক আছিল দয়ালু মনৰ মানুহ। তেওঁৰ মনত মানৱ মংগলৰ চিন্তা অতি পৰিচ্ছন্ন। আৰু তাৰ লগতে বিবেক আছিল ন্যায়ৱান, লোকজ্ঞান-সম্পন্ন সৎ মানুহ। সাধাৰণ মানুহে শত্ৰুৰ কাণ মুচৰিও সুখ পায়; কিন্তু বিবেকে এনেবোৰ তুচ্ছ হিংসা-প্ৰতিহিংসাৰ কাষেদিও নগৈছিল। সেই কাৰণেহে—হৃদয়গতভাৱে সৎ হোৱাত — নিজৰ জীৱনক বিপদাপন্ন কৰিও আনকি শত্ৰুকো ৰক্ষা কৰিব খুজিছিল বিবেকে। বিবেকৰ বিবেক আছিল পৰিচ্ছন্ন।" বিবেক

পুনৰ এবাৰ ৰজা বিক্ৰমাদিত্যৰ মৌনতা ভংগ কৰাত সক্ষম হোৱাত বেতালে পুনৰ মৃতদেহটো লৈ সাউৎকৰে গুচি গ'ল সেই সুপ্ৰাচীন বৃক্ষজোপালৈ [কল্পিত

লেম-কাহিনী

জমিদাৰ যোগীনবৰ্মা ডাঙৰীয়াই কিবা জৰুৰী কামত পৰি মাজনিশা বিশালনগৰলৈ বুলি ওলাল তেওঁৰ ঘোঁৰা-বাগীত উঠি। গাড়ীখন হাবিৰ কাষেদি গৈ থাকিল। ইয়াত অন্ধকাৰ বৰ ডাঠ। কচোৱানে লাহে লাহে গাড়ী চলাই থাকিল।

হঠাৎ গাড়ীখনে পাথৰৰ টিলা এটাৰ গাত খুন্দা খালে, খুন্দা খাই চলংপলংকৈ ৰৈ দিলে। আৰু ঠিক তেতিয়াই টিলাৰ ওপৰত জ্বলি থকা লেম এটা দেখা গ'ল। সেই লেমৰ কাৰণেহে কচোৱানে গাড়ীখন কথমপি ঠিকেঠাকে ৰখাব পাৰিছিল।

জমিদাৰ ডাঙৰীয়া গাড়ীৰপৰা নামি আহিল, আৰু তেতিয়া এজোপা গছৰ তলত শুই থকা বুঢ়া মানুহ এজন তেওঁৰ কাষ চাপি আহি তেওঁক প্ৰণাম কৰিলে।

জমিদাৰে বুঢ়া মানুহজনক সুধিলে, "টিলাৰ ওপৰত এই লেম—তুমিয়েই ৰাখিছানে ?"

"হয় দেউতা, ময়েই ; কিয়নো—নহ'লে ৰাতিৰ পৰতে গাড়ী বা মানুহেও উজুটি খাই পৰিব পাৰে।" বুঢ়াই ধীৰে-শাঁতে ক'লে।

"তোমাৰ কাৰণে আমি বিপদৰ হাত সাৰিলোঁ।" এই বুলি কৈ তেওঁ বুঢ়াক কেইটিমান মুদ্ৰা পুৰস্কাৰ হিচাপে দিলে আৰু পুনৰ গাড়ীত উঠিলগৈ।

কিন্তু পাছ মুহূৰ্তত তেওঁ গাড়ীৰপৰা নামি আহি কিবা সন্দেহৰ সুৰত বুঢ়াক সুধিলে, "হে—ৰা, এনেকৈ বাটৰ সোঁমাজত টিলা এটা—কেনেকৈনো থাকিল ?"

"দৌতা, কামটি ময়েই কথমপি কৰিলোঁ, কিয়নো, নহ'লে—লেম মাটিত থাকিলে লেমৰ পোহৰ কোনেও দেখা নাপাব নহয়—?" বুঢ়াই মিঠাকৈ সোলা হাঁহিৰে মুখখন পোহৰাই ক'লে।

তামোল

কথাত আছে ঃ তামোলত দিলা লঙ জাই, পাণত দিলা চুণ, কেনেকৈনো পাহৰোঁ তোমাৰ গুণ? নিমন্ত্ৰণকো 'তামোল-পাণ দি মতা' বুলি কয়; সম্ভ্ৰান্ত লোকক 'তামোল-পাণ দি জনাব' লাগে; বিয়াৰ বন্দৱস্তৰ আগে আগে 'তামোল-পাণ' কাটিব লাগে।

তামোলৰ প্ৰভাৱ কেৱল অসমীয়া জন-জীৱনতে নহয়, ভাৰতৰ সকলোতে। অসমীয়া জন-জীৱনত সন্মান প্ৰদৰ্শনৰ ক্ষেত্ৰতো তামোলৰ প্ৰভাৱ অনস্বীকাৰ্য। তামোল— টনকিয়াল অৱস্থাৰো প্ৰতীক ঃ '...বাৰী ভৰা তামাল-পান'—মানেই সমৃদ্ধি। ডাঙৰমানুহৰ বাহিৰৰ চ'ৰাঘৰক 'তামুলী-চ'ৰা' বুলি কোৱা হয়।

তামোল হ'ল এবিধ তালজাতীয় গছ আৰু তাৰ ফল। দৰাচলতে তামোলৰ ফলতেহে তামোলৰ সাৰ্থকতা। তামোলত-আছে 'ট্যানিন' নামৰ ৰাসায়নিক, যাৰদ্বাৰা ক'লা আৰু ৰঙা চিয়াহী প্ৰস্তুত কৰা হয়। তামোলৰ ফল গুড়ি কৰি তাৰে দাঁতঘঁহা গুড়ি প্ৰস্তুত কৰা হয়।

তামোল গছ ১৮—২০ মিটাৰলৈকে ওখ হয়, আৰু পাঁচ বছৰ বয়সৰপৰা তামোল এজোপাই ফল দিয়ে। বছৰেকত তিনিশ-চাৰে তিনিশ ফল পোৱা যায়। দেখাত সৰু সৰু কণীৰ আকৃতিৰ এই তামোল-ফল ওপজোঁতে সেউজ, তাৰ পাছত ক্ৰমে কমলাৰপৰা ৰঙা বৰণ লয়। ভাৰতত—বৰষুণ-প্ৰধান ঠাইসমূহত—যেনে দক্ষিণ-ভাৰত, পশ্চিমবংগ আৰু অসমত তামোল-গছৰ আধিক্য পৰিলক্ষিত হয়।

অসমীয়াৰ 'তামোল'ক—হিন্দী, মৰাঠী আৰু গুজৰাতীত 'চুপাৰি' বুলি কোৱা হয়ঃ বাংলাভাষী সকলেও 'চুপুৰি' বা 'চুপাৰি', ক'ৰবাত 'গুৱা' বুলিও কয়; তামিলত 'কামুগু', মালয়ালমত 'কাভুংগু' বুলি কোৱা হয় তামোলৰ ইংৰাজি নাম—'অ্যাৰিকনাট্', আৰু উদ্ভিদবিজ্ঞানীয় নাম হ'ল অ্যাৰিকা ক্যাটেকু লিন্।' তামোলৰ বিধোবিধ গুণৰ কথা ভাৰতৰ সুপ্ৰাচীন গ্ৰন্থসমূহতো পৰিদৃষ্ট।



মহাকবি বেদব্যাস

বেদ হ'ল জগতৰ প্ৰথম পুস্তক। বেদ চাৰিখন : ঋগ্বেদ, যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদ।

কোনেনো ৰচিছিল ? অভ্ৰান্ত সন্তোষজনক উত্তৰ পাবলৈ নাই। কেতিয়ানো ৰচিত হৈছিল ? তাৰো নিৰ্ভুল নিৰ্ভৰযোগ্য উত্তৰ—নাই। কোৱা হয়, ঋষি-মুনিসকলে স্বয়ং ঈশ্বৰৰ মুখ-নিঃসৃত কথা শ্ৰৱণ কৰি যি প্ৰচাৰ কৰিছিল—সেয়ে বেদ। কোৱা হয়, কমেও ছহেজাৰ বছৰৰ প্ৰাচীনত্ব বেদত বিদ্যমান।

মহান ভবিষ্যদ্বক্তা ব্যাসে বেদৰ শ্লোকসমূহ চাৰিভাগত ভাগ কৰি প্ৰতিভাগৰ সুকীয়াকৈ নামকৰণ কৰিছিল। কিন্তু তেতিয়ালৈকো বেদ লিপিবদ্ধ হোৱা নাছিল, তেতিয়াৰ কালৰ মুনিঋষি পণ্ডিতবৰ্গৰ মুখে মুখেহে চলি আহিছিল, বহু দিনৰ পাছতহে লিপিৱদ্ধ হৈছিল।

ভাৰতীয় ঐতিহ্যৰ মহান পুৰোধা হ'ল ব্যাস। বাল্মীকি-কৃত ৰামায়ণৰ পাছত তেওঁ আমাক দিলে 'মহাভাৰত'। এই 'মহাভাৰত' হ'ল জগতৰ বৃহত্তম-মহত্তম মহাকাব্য। গ্ৰিক মহাকাব্য হোমাৰ-ৰচিত ইলিয়দ আৰু অ'ডিচি একেলগ কৰিলেও মহাভাৰতৰ কলেবৰ আঠগুণ। মহাভাৰতৰপৰা তৎকালীন জন-জীৱনৰ ৰূপৰেখা তথা আংশিক ইতিহাস জ্ঞাত হ'ব পাৰি। ব্যাস কেৱল ৰচকেই নাছিল,

তেওঁ নিজেই আছিল এটি চৰিত্ৰ।

ব্যাসে যেতিয়া মহাভাৰত লিখিবলৈ অনুপ্ৰেৰণা লাভ কৰিছিল, তেতিয়া তেওঁ তেওঁৰ এই কৰ্মযজ্ঞৰ এজন সহকাৰীৰ অভাৱো অনুভৱ কৰিছিল, আৰু ব্ৰহ্মাৰ পৰামৰ্শত এই কৰ্মত গণেশ-দেৱতাক লৈছিল। ব্যাসে কয়, গণেশ-দেৱতাই লিখে। কিন্তু গণেশৰ সৈতে তেওঁৰ চৰ্ত আছিল এয়ে যে তেওঁ কোৱা কাব্যকথাৰ অৰ্থ নুবুজাকৈ গণেশে নিলিখিব। যিহেতু দুয়োগৰাকীয়েই আছিল মহান, পৰস্পৰে পৰস্পৰৰ চুক্তি গ্ৰহণ কৰিছিল আৰু আজিৰ বদৰিকাশ্ৰমৰপৰা সামান্য দূৰত 'ব্যাস গুহা' নামক যিটি গুহা অদ্যাপি বিদ্যমান, তাতেই কোৱা-লিখা কৰিছিল।

ব্যাস আছিল কিছু সংখ্যক উল্লেখ-যোগ্য পুৰাণৰও ৰচিয়তা।

ব্যাসক 'বেদব্যাস' বুলিও অভিহিত কৰা হৈছিল। তেওঁৰ অন্যান্য নামৰ মাজত আছে : দ্বৈপায়ন, কিয়নো এটি ক্ষুদ্ৰ দ্বীপত তেওঁৰ জন্ম হৈছিল ; তেওঁৰ দেহবৰ্ণ ক'লা বৰণৰ হোৱাত তেওঁ 'কৃষ্ণ-দ্বৈপায়ন' ৰূপেও জানাজাত।

আধুনিক পণ্ডিত সকলৰ মাজত কিছুমানৰ মতেঃ বেদ-ব্যাসৰপৰা প্ৰশিক্ষিত হৈ আন যিসকলে পুৰাণাদি ৰচিছিল, তেওঁলোকেও 'ব্যাস' নাম ধাৰণ কৰিছিল।

ব্যাস কোন কালত বিদ্যমান আছিল ?

তাৰো সঠিক নিৰ্ণীত উত্তৰ—নাই, আমি কেৱল অনুমানহে কৰিব পাৰোঁ। সম্ভৱতঃ,পাঁচহেজাৰ পাঁচশ বছৰৰ আগতে।

জানিবলগীয়া

১. এলিফাণ্টা গুহা চাবলৈ ক'লৈ যাব লাগে ?

২. ১৫ শতিকাৰ অন্যতম বিখ্যাত অতীন্দ্ৰিয়বাদী এগৰাকীক হিন্দু-মুছলিম উভয়েই তেওঁলোকৰ বুলি দাবী কৰিছিল। তেওঁ কোন ?

৩. ভাৰতৰ প্ৰথমগৰাকী মহিলা ডাক্তৰ কোন ?

৪. ইণ্ডিয়ান অ্যাৰ ফ'ৰ্চ কেতিয়া প্ৰতিষ্ঠিত হৈছিল ?

৫. ভাৰতত ডাক-টিকেটৰ প্ৰচলন কেতিয়াৰপৰা হৈছিল ?

৬. আটাইতকৈ পুৰণি জাহাজ-নিৰ্মাণ কাৰখানা আমাৰ দেশৰ ক'ত আছে ?

৭. কোন দিনা 'কমনওৱেলথ-দিবস' পালন কৰা হয় ?

৮. ক্ৰুশবিদ্ধ হওঁতে তেওঁৰ মাতৃক চোৱা-চিঁতা কৰাৰ বাবে যিশুখৃষ্টই তেওঁৰ শিষ্য এগৰাকীক কৈছিল। শিষ্যজন কোন আছিল ?

৯. বাইবেলৰ পুৰাতন নিয়মত নোহ্-ৰ ককাদেউতা হিচাপে কাৰ নাম উল্লিখিত ?

১০. ক্ৰিকেট কোনখন দেশৰ জাতীয় ক্ৰীড়া ?

১১. উৰাজাহাজৰ আৱিষ্কৰ্তা 'ৰাইট ব্ৰাদাৰ্চ'ৰ প্ৰকৃত জীৱিকা কি আছিল ?

১২. প্ৰথম 'উৰণ-চকৰি'ৰ কথা কেতিয়া জনা গৈছিল ?

১৩. 'লেডি উয়িথ দ্য ল্যাম্প' অৰ্থাৎ 'দীপৱতী নাৰী' কাক কোৱা হৈছিল ?

১৪. ইউনাইটেড নেশ্যনছৰ প্ৰথমগৰাকী ছেক্ৰিট্যাৰি জেন্যাৰ্যাল কোন আছিল ?

১৫. কিংবদন্তিৰ অ্যাটলাণ্টিছৰ কথা কাৰ লিখনীত প্ৰকাশিত ?

জানক

১. বম্বে।
২. সন্ত কবীৰ, মুছলিম পৰিয়ালত জনমিও ৰাম-গীতি ৰচিছিল।
৩. ডক্টৰ আনন্দীবাঈ যোশী, এম. ডি. (৮৮৬)।
৪. ১৯৩২ চনৰ ৮ অকট'বাৰ।
৫. ১৮৫২ চনত।
৬. বিশাখাপতনমৰ হিন্দুস্থান শিপইয়াৰ্ড, ১৯৪১ চনত।
৭. ২৪ মে'।
৮. যোহন।
৯. ম্যাথুছেলা।
১০. অস্ট্ৰেলিয়া।
১১. ছাইকেলৰ দোকান।
১২. ১৯৪৭ চনত ২৪ জুন।
১৩. ফ্লোৰেন্স নাইটিংগেল।
১৪. ডাগ হ্যামাৰজোল্ড্।
১৫. প্লেটো।

সিদ্ধিৰ গুৰিকথা

পৰমব্ৰহ্মস্বামী যদিও অৰণ্যনিবাসী, তথাপি অতি প্ৰাজ্ঞ পণ্ডিত তথা শিক্ষাগুৰু। কিন্তু তেওঁ তেওঁৰ শিষ্যহঁতক এবছৰতকৈ অধিক কাল তেওঁৰ অৰণ্যাশ্ৰমত নাৰাখিছিল, বা শিক্ষাদানও নকৰিছিল।

শিষ্য গণনাথো ব্ৰহ্মস্বামীগুৰুৰ ওচৰত মাত্ৰ এবছৰলৈ আছিল, আৰু গুৰুৰপৰা জোখে-জোখাৰে জ্ঞানও প্ৰাপ্ত হৈছিল। কিন্তু এদিন-গণনাথে সখেদে আৱিষ্কাৰ কৰিলে যে, ইমান জনা সত্ত্বেও সি সংসাৰৰ আও-ভাও ঢেৰ কিবাকিবি নজনা হৈয়েই আছে। আৰু কেৱল সিয়েই নহয়, তাৰ সবিশেষ সন্দেহ হ'ল, তাৰ গুৰুৰ অৱস্থাও কিজানি তথৈৱচ।

সোধাত গুৰু ব্ৰহ্মস্বামীয়ে মৃদুকৈ হাঁহিৰে গণনাথক ক'লে, "পুত্ৰ, মই যিখিনি জানিছোঁ, তাৰ কণমানহে তোমাক দিব পাৰিছোঁ। আৰু—মোৰ কথা যদি সুধিছা, এই জগতৰ জ্ঞান-সমুদ্ৰৰ এটোপালও মই আহৰণ কৰিব পাৰিলোঁনে—নাজানো। কিয়নো, জ্ঞান অন্তহীন। কোনোবাই যদি কয়—তেওঁ নজনা একো নাই, তেওঁৰ সমান অ-জ্ঞানী আৰু নাই। জ্ঞান কূপ যিমানেই-খান্দিবা, তিমানেই ভিতৰলৈ প্ৰৱেশ কৰিবা, আৰু যিমানেই যত্নেৰে খান্দি খান্দি গভীৰৰপৰা গভীৰলৈ যাবা, সিমানেই বিভিন্ন ধৰণৰ ৰত্নৰাজি পাই থাকিবা।"

সেই বছৰত তেওঁৰ দহজন শিষ্য আছিল। পোনতে একেলগেই শিক্ষাদান কৰিছিল, পাছত দুটা দলত ভগাই দিছিল, আৰু বছৰৰ মাজভাগত সকলো শিষ্যক

অনিন্দ্যসুন্দৰ তালুকদাৰ



ভাবেই একেলগেই শিক্ষাদান কৰিম।

যি কি নহওক-চাওঁতে চাওঁতে শিষ্যহঁতে গুৰুৰ আশ্ৰমৰপৰা বিদায় লোৱাৰ দিন চাপি আহিল।

বিদায়ৰ দিনা, গুৰু পৰমব্ৰহ্মস্বামীয়ে দহোজন শিষ্যৰ আগত দহটি বীজ এঠাইত ৰাখিলে আৰু গণনাথলৈ চাই ক'লে, "এই বীজকেইটি হাতত লোৱা আৰু মিলাই দিয়া।" তাৰ পাছত প্ৰতিজন শিষ্যক এটিক বীজ দিবলৈ ক'লে তেওঁ। আৰু তাৰ পাছত ক'লে, "এই বীজ তোমালোকক গণনাথে দিলে। মই যে এই বীজ দিয়াত পক্ষপাতিতা কৰা নাই, দেখিলাই। নিজ নিজ ঘৰ পাই বাৰীত এই বীজ পুতিবা। এমাহৰ ভিতৰত গজালি ওলাব, তিনি মাহত পুলি হ'ব, ছয় মাহত ফুল ফুলিব। এই দহটি বীজৰ মাজত আছে এটি মাত্ৰ নীল বৰণীয়া ফুলৰ বীজ। যাৰ পুলিত সেই নীলা ফুল ফুলিব মোৰ ওচৰলৈ লৈ আহিবা, যিজনে আনিবা, তাৰ বিদ্যাশিক্ষা হ'ব চিৰস্থায়ী। —এই ফুল যদি কোনোবাই চোবাই খায়, তাৰ মাজত প্ৰখৰ বতৰ-জ্ঞানৰ—বিশেষকৈ বৃষ্টি-জ্ঞানৰ সৃষ্টি হ'ব। মোৰ মাজত এই শক্তিৰ অভাব। মোৰ গুৰুৰ আদেশ আছিল এয়ে যে—কেৱল মোৰ কোনোবা

পুনৰ এঠাইত মিলাই লৈছিল।

শিষ্যহঁতে এটা কথালৈ মন কৰিলে যে গুৰুৱে তেওঁৰ অন্যতম শিষ্য কুশৰ প্ৰতি অধিক মনোযোগী হৈছে। আনক তেওঁ চাৰিঘণ্টাকৈ শিক্ষাদান কৰে, কিন্তু কুশক আঠঘণ্টা। এদিন সিহঁতে কথাটো গুৰুক সোধাত গুৰুৱে ক'লে, "শিষ্যৰ গ্ৰহণ-ক্ষমতা অনুসাৰেহে মই শিক্ষাদানৰ সময় নিৰ্দ্ধাৰণ কৰোঁ। তোমালোকৰ মাজতো কুশৰ কুশাগ্ৰ বুদ্ধি আৰু আগ্ৰহ যদি দেখা পাওঁ, যদি কুশহেন ধী-শক্তি তোমালোকৰ মাজতো থকাৰ সন্দেহ পাওঁ, তোমালোককো কুশৰ সৈতে নিশ্চিত

শিষ্যৰ মাধ্যমত ফুলা এই ফুলেৰেহে মই এই অদ্ভুত জ্ঞান প্ৰাপ্ত হ'ব পাৰিম। সেই কাৰণে তোমালোকক এই ফুলৰ বীজ দিলোঁ।" গুৰু পৰমব্ৰহ্মস্বামীয়ে সিহঁতক ভাঙি-পাতিয়েই ক'লে।

ঘৰ পায়েই গণনাথে সেই বীজ অতি যত্নৰে মাটিত পুতিলে। সামান্য কেইদিন-মানতে তাৰ শিক্ষাৰ কথা গাঁৱৰ ঘৰে ঘৰে প্ৰচাৰিত হৈ পৰিল। এদিন এজন গাঁৱলীয়াই গণনাথক কথাই কথাই ক'লে, "আমাক অন্য গিয়ান নহ'লেও হয়; পিছে—বৰষুণ কেতিয়া দিব জানিব পাৰিলে বৰ ভাল হয়। তুমি যদি আমাক এই বিষয়ে গিয়ান দিব পাৰা, বা নিজে কৈ দিব পাৰা, তেনেহ'লে আমি তোমাক ভগৱানহেন দেখিম, আৰু মানিম। যদি পাৰা—আমাৰ কাৰণে ইটি কাম কৰা।"

গাঁৱলীয়াৰ কথাখিনি শুনি গণনাথৰ মূৰত নানান বুদ্ধিয়ে মূৰ দাঙিবলৈ ধৰিলে।

সি ভাবি থাকিল: নীলা বৰণীয়া ফুল ফুলিলে কিয় সেই ফুল গুৰুৰ ওচৰলৈ লৈ যাব লাগিব?—এই ফুলৰ সহায়ত ময়েই দেখোন সেই অলৌকিক বিদ্যাৰ অধিকাৰী হ'ব পাৰিম। তাৰে—মই ধন-মান যহ-খিয়াতি সকল পাব পাৰিম। গুৰুৰ কাষলৈ কিয় মৰিবলৈ যাম? কিনো পাম তাত?

গুৰুৱে বৰ বেছি পিঠিত থপৰিয়াই শলাগিব, আৰুনো কি দিব?—নেয়যাওঁ।

দিন-মাহ পাৰ হৈ হৈ—ছমাহৰ অন্তত ফুলিল সেই ফুল। হয়, নীলা বৰণীয়াই। শুধ নীলা। চাই গণনাথৰ মনত আনন্দ নধৰা হ'ল। সি তৎক্ষণাৎ তাৰেই ভাগ্যত ফুলা নীলা ফুলটো ছিঙি আনি, মুখত ভৰাবলৈ লৈয়েই—হঠাৎ এটা কথা ভাবি ৰৈ দিলে: কিবা—দোষে ছুছুব তো!

: কিন্তু গুৰুৱে যে কুশৰ প্ৰতি পক্ষপাতিতা দেখুৱাইছিল, তাৰ কিঞ্চিত প্ৰতিবিধান এইদৰেই কৰা যাওক।—কথাটো ভাবিয়েই সি ফুলটো মুখত ভৰাই



বতৰ, ততে জহ ; গতিকে— এই সময়ত বৰষুণৰ—কথা যাক বোলে সৰব-ন্ন। তথাপি গাঁওবুঢ়াই গণনাথৰ নাম লৈ কথাটো ৰাইজৰ মাজত প্ৰচাৰ কৰোৱালে।

আৰু গণনাথৰ কথা মতে সঁচাসঁচিকৈ অকালতে হ'লেও বৰষুণ দিলে। আৰু দিলে মানে—সঁতায়েই ধৰিলে।

আৰু সেইদিনৰপৰা গণনাথৰ কপালো ফুলিলে। দোপত দোপে তাৰ উন্নতি হ'বলৈ ধৰিলে। দুই-তিনি বছৰতে গণনাথেই হৈ উঠিল দহোখন গাঁৱৰ দণ্ড-মুণ্ডৰো কৰ্তা, আৰু তাৰ নামত ৰটি গ'ল নানান হুমু-বাৰ্তা ; সি বোলে মাজে-মধ্যে ৰাতিৰ পৰতে ভগৱানৰ ওচৰলৈ যায়, আকৌ ঘূৰিও আহে—ইত্যাদি। বহু দূৰ দূৰৰপৰাও তাৰ কাষ চাপে কত যে মানুহ কত কামত, বিশেষকৈ অৱশ্যে বৰষুণৰ নামত, কেতিয়া বৰষুণ দিব—গণনাথেই কৈ দিব।

চোবাবলৈ ধৰিলে আৰু গুৰুৱে কোৱামতে সঁচাসঁচিকৈ সেই অদ্ভুত বিদ্যাশক্তিয়ে তাৰ মাজত মূৰ দাঙিলে, বৰষুণৰ আগ-জাননী দিব পৰা হ'ল, আৰু খৰে কোৱাই যোৱা কপালক ধিয়াই বহি থকা খেতিয়ক ৰাইজক আশ্বস্ত কৰিবলৈ সি গাঁৱৰ গাঁও-বুঢ়াক দৌৰি দৌৰি গৈ কোৱা হ'ল, "মই মোৰ সাধনাত সিদ্ধি লভিলোঁ, ক'ব পৰা হ'লোঁ বৰষুণৰ আগ-জাননী, গাঁৱৰ আৰু চুবুৰীয়া গাঁওবিলাকৰ ৰাইজকো কওকগৈ, পৰহি দিনাৰপৰা এই অঞ্চলত বৰষুণে সঁতা ধৰিব।"

তেতিয়া জহৰ দিন। এনেই খৰৰ

এনেতে এসময়ত গোটেইখন অঞ্চলত অকালে মূৰ দঙা হ'ল। একেৰাহে দুবছৰলৈ বৰষুণ নিদিয়া হ'ল। গণনাথে সকলোকে কোৱা হ'ল যে আৰু এটি মাহলৈ বৰষুণ নিদিব।

তেতিয়া কিছুদূৰৰ গাঁও এখনৰপৰা মানুহ এজন আহিল আৰু আহি গাঁওবুঢ়াৰ

কাম চাপিল। তেতিয়া গাঁৱৰ অন্যান্যৰ লগত গণনাথো তাত উপস্থিত আছিল।

মানুহজনে গণনাথৰ ওচৰ লৈ হে আহিছিল। সেই মানুহজনক গণনাথে নভবা-নিচিন্তাকৈ ক'লে, "মোৰ ওচৰলৈ আহি কি লাভ? ক'তো যেতিয়া বৰষুণ দিয়া নাই, তোমালোকৰ গাঁৱতে দিবনে?

মানুহজনে নম্রভাৱে ক'লে, "মহোদয়, এইবাৰ আপোনাৰ ভুল হ'ল। আমাৰ গাঁৱত বৰষুণ দিয়া হ'ল। আমাৰ গাঁৱত এগৰাকী মানুহ আহিছিল, তেওঁ কোৱা-মতেই বৰষুণো নামিল। তেওঁক ইয়ালৈকো মাতি আনকগৈ আপোনালোকে।"

গণনাথে সিখন গাঁৱলৈ বুলি খোজ লোৱা মানুহজনক ইংগিতেৰে যাবলৈ মানা কৰিলে। কিন্তু মানুহজন তথাপি গ'ল আৰু সেইজনক লগত লৈ আহিল।

এই মানুহজনেই আছিল কুশ। গণনাথে বিমোৰত পৰি কুশক সকলো কথা ক'লে। ইমান দিন ধৰি সঠিক হৈ থকা বৰষুণৰ আগ-জাননী এতিয়া আৰু ফলৱতী নোহোৱা হ'ল আৰু মোৰ সিদ্ধিও নহ'ল।"

কুশে মৃদুকৈ হাঁহি মাৰি ক'লে, "এই কথাত আমাৰে গুৰুদেৱৰো কোনো হাত নাই, বা আন কোনো মহিমাও নাই। গুৰুদেৱে আমাক-- সকলোকেই—নীল বৰণীয়া ফুলৰ বীজ দিছিল—আমাৰ গুৰু-ভক্তিৰ পৰীক্ষা ল'বলৈহে। সেই ফুল কেৱল মইহে দিছিলোঁগৈ; আমাৰ মাজত আন এজনো তেওঁৰ কাষকে চপা নাছিল। তেওঁ আচলতে আমাৰ নির্লোভত্বৰ পৰীক্ষা লৈছিল; কিয়নো — ধন-মানখ্যাতি-প্রতিপত্তি আদিৰে মানুহক শোষণকৰি থাকিলে—আন যিয়েই নহওক, সাধনাত সিদ্ধিলাভ কদাপি নহয়। সিদ্ধিৰ গুৰি-কথা ইমানেই।"

কুশৰ কুশাগ্র বচন শুনি গণনাথৰ গাত যেনিবা চেঙাহে লাগিল।

যোগ্যতাৰ তুলাচনী

অকস্মাৎ মৃত্যু হ'ল কলিংগদেশৰ মহামন্ত্ৰীৰ। আৰু লগে লগে মহাৰাজ কীৰ্তিবৰ্ধন পৰিল মহাসমস্যাত। এগৰাকী মহামন্ত্ৰী লাগে। কিন্তু এয়া সাধাৰণ কথা নহয় যে 'লাগে' বুলিয়েই লগ পোৱা যাব; 'মহামন্ত্ৰী' বোলা কথা। যেন-তেন হলে তো নহ'ব, একা-চেকা হ'লেও নহ'ব, ঠিকঠাক হ'ব লাগিব।

মৃত মহামন্ত্ৰী কেৱল প্ৰতিভাৱানেই নাছিল, তেওঁ আছিল অতি বিজ্ঞ তথা চতুৰ। মহাৰাজ কীৰ্তিবৰ্ধনে তেওঁৰ চিনাকিসকলৰ মাজত কোনো এজনকো মহামন্ত্ৰী ৰূপে নিযুক্তিৰ বাবে ভাবি উলিয়াব নোৱাৰিলে। আৰু অতঃপৰ ৰাজকীয় ঘোষণা প্ৰচাৰ কৰিলে :

'কলিংগদেশৰ মহামন্ত্ৰীপদৰ বাবে এগৰাকী যোগ্য প্ৰাৰ্থীৰ আৱশ্যক। মহামন্ত্ৰীপদৰ প্ৰাৰ্থীগৰাকী যথেষ্ট বিদ্বান বুদ্ধিমান প্ৰতিভাৱান আৰু জ্ঞানৱান হ'ব লাগিব। উক্ত গুণসমূহ নথকাসকলে অযথা আবেদন নকৰিব; কিয়নো যেই-সেই আবেদকক মতাই পঠোৱা নহ'ব।

অধিকন্তু, মন্ত্ৰীপদপ্ৰাৰ্থীগৰাকী দেখাত যথেষ্ট সুৰূপ তেজস্বিতাপূৰ্ণ আৰু দেখিলেই মহামন্ত্ৰী যেন লগা হ'ব লাগিব। মাত্ৰ এনেহেন ব্যক্তিৰ পৰীক্ষাহে লোৱা হ'ব।

ঠিক কথা, মহামন্ত্ৰী হ'বলৈ হ'লে বিদ্বান-বুদ্ধিমান-জ্ঞানৱান নিশ্চয়েই হ'ব লাগিব; কিন্তু দেখনে-দৰ্পণেও যে একেবাৰে ধুনীয়াৰো ধুনীয়া হ'ব লাগিব— সেই কথাত বহুতেই ভাল পোৱা নাই, কিন্তু সেই বুলি ভাল নোপোৱাৰ কথাটো।

নৰেশ ঠাকুৰ

মহাৰাজক কোনেও ক'বও পৰা নাই।

কলিংগদেশত প্ৰতিভাৱানৰ নাটনি নাই; কিন্তু প্ৰাৰ্থীৰ মুখমণ্ডলত যি তেজস্বিতা বা সৌন্দৰ্য্য ইত্যাদিৰ উল্লেখ কৰা হৈছিল, সেইবোৰ নথকাতহে ভালেমান প্ৰতিভাধৰেই সেই মন্ত্ৰীপদৰ বাবে প্ৰাৰ্থী হোৱাৰপৰা আঁতৰি আছিল। তথাপি কিছুমান প্ৰাৰ্থী মহাৰাজৰ কাষ চাপিছিল, কিন্তু মহাৰাজ তুষ্ট হোৱা নাছিল কাৰণে তেওঁলোক হতাশ হৈছিল।

কলিংগদেশৰ এজন সাধাৰণ নাগৰিক ভূধৰ আছিল যথেষ্ট বুদ্ধিমান, প্ৰতিভাৱান আৰু বিচক্ষণ। কিন্তু ভূধৰ বৰ ধেমালি-প্ৰিয়। বিভিন্ন শাস্ত্ৰ ভূধৰে গভীৰতাৰে অধ্যয়ন কৰিছিল আৰু ৰাজনীতি-শাস্ত্ৰত বিশেষ ব্যুৎপত্তি আছিল তেওঁৰ। ভূধৰ ৰাজ্য-শাসন-পদ্ধতিতো আছিল অভিজ্ঞ। মহাৰাজৰ যোগ্যতা-পৰীক্ষাত তেওঁ উত্তীৰ্ণ হ'বই—সেই আস্থা তেওঁৰ আছিল; কিন্তু তেওঁ আছিল কুৰূপ আৰু গাৰ বৰণো ছাতিহেন, আৰু লগতে মুখত আইৰ দাগ।

তথাপি ভূধৰে মন্ত্ৰীপদৰ বাবে চেষ্টা এটা দিব বুলি খাটাংকৈ কৰিলে।

আৰু পাছদিনাই ধলপুৱাতে ভূধৰ ৰাজ-উদ্যানলৈ বুলি খোজ ল'লে।

মহাৰা জতেতিয়া উদ্যানত প্ৰাতৰ্ভ্ৰমণ কৰি আছিল। মহাৰাজৰ দেহৰক্ষীৰ অমনোযোগিতাৰ সুবিধা লৈ ভূধৰ



উদ্যানলৈ সোমাই গ'ল। মহাৰাজ তেতিয়া মূৰত মুকুট বা দেহতো কোনো ৰাজকীয় সাজ-পাৰ নাছিল।

ভূধৰে উদ্যানৰ গছপুলিত পানী সিঁচি থকা মালীজনৰ কাষ চাপিল আৰু মালীকে ক'লে, "মহাৰাজ, মাতৃ-পিতৃৰ দেহান্তৰ অন্তত অনাথ হৈ আছোঁ। মই ভোকাতুৰ। কৃপা কৰি চাকৰি এটি দিয়ক।"

ইতিমধ্যে স্বয়ং মহাৰাজ ভূধৰৰ পিছফালে থিয় হৈছিলহি। তেওঁ 'ভূধৰক সুধিলে, "তুমি কোন দেশৰপৰা আহিছা?"

ভূধৰে নম্ৰতাৰেই ক'লে, "মই এই দেশৰে নাগৰিক।"

"এই দেশৰ নাগৰিক যদি ৰজাকো চিনি নোপোৱানে? মই এই দেশৰ ৰজা, আৰু সেইজন হ'ল—আমাৰ মালী।"

ভূধৰে মহাৰাজক প্ৰণাম কৰিলে আৰু ক'লে, "ক্ষমা কৰক, মহাৰাজ। মই আপোনাক কদাপি দেখা নাছিলোঁ বাবেহে এই ভুল হ'ল মোৰ। আৰু—এতিয়া আপোনাৰ শিৰতো মুকুট নাই, বা ৰাজকীয় সাজ-পাৰো নাই বুলিহে আপোনাক চিনি পোৱা নাছিলোঁ। আৰু এই মালীজন বেছ শকত-আৰত সুঠাম-সুন্দৰ আৰু মোচকোচাও দেখনিয়াৰ বুলিহে—মই তাকেই—।"

মহাৰাজে হাত দাঙি ভূধৰক ৰখালে আৰু ক'লে, "আৰু ক'ব নালাগে, আৰু মন্ত্ৰীপদ-সম্পৰ্কিত মোৰ ঘোষণাৰ ত্ৰুটিলৈ আৰু আঙুলিয়াবও নালাগে। তুমি অতি বুদ্ধিমত্তাৰে তথা প্ৰজ্ঞাৰে মোৰ ঘোষণাৰ ত্ৰুটিলৈ আঙুলিয়াইছা। ঠিক আছে, কালিলৈ এটিবাৰ ৰাজসভালৈ আহিবা, তাত যোগ্যতাৰ পৰীক্ষাৰে তোমাৰ ভাগ্য-পৰীক্ষা কৰা হ'ব।"

পাছদিনা, যোগ্যতাৰ পৰীক্ষাত ভূধৰ সসম্মানেৰে উত্তীৰ্ণ হৈছিল, আৰু যথোচিত ভাবে মহামন্ত্ৰীৰ পদ অলংকৃত কৰিছিল।

মহাভাৰত

৭

ভীম নিৰুদ্দেশ—এই সম্বাদ পাই কুন্তী শোকাকুল হৈ পৰিল। কুন্তীয়ে ধৰ্মৰাজ যুধিষ্ঠিৰক ক'লে, "তোমালোক চাৰিও ভাই-ককাই চাৰিওফালে বিচাৰি ওলোৱা।" তেওঁ বিদুৰক মতাই অনালে আৰু ক'লে, "ভীম প্ৰমাণকোটিস্থলৰপৰা নিৰুদ্দেশ হৈছে। ধৰ্মৰাজে সমগ্ৰ গংগা-তট চলথ কৰিছে, কিন্তু ভীমক বিচাৰি পোৱা নাই। ভীমৰ প্ৰতি দুৰ্য্যোধনৰ প্ৰবল হিংস্ৰতা। দুৰ্য্যোধনে ভীমক যে হত্যা নকৰিব—তাৰো নিশ্চয়তা নাই। ঈশ্বৰে নকৰক, মোৰ মনৰ ভয় যেন বাস্তৱ নহয়।"

"শুনা, দুৰ্যোধন দুষ্ট আৰু নীচ প্ৰকৃতিৰ। মোৰ আগত যি ক'লা—আন কাৰো আগত ভুলতো নোকোৱা যেন। তোমাৰ পুত্ৰ দীৰ্ঘায়ু, কোনেও তাৰ কোনো অনিষ্ট কৰিব নোৱাৰিব।" বিদুৰে কুন্তীক সান্ত্বনা প্ৰদান কৰিলে।

*

ইপিনে নাগলোকত ভীম যোৱা আঠ দিন ধৰি আনন্দৰে অতিবাহিত কৰিলে। তাৰ পাছত এদিন ভীমক নাগসকলেই গংগাস্নান কৰাই, নৱ-বস্ত্ৰেৰে সুসজ্জিত কৰি, সুখাদ্য খুৱাই—তাৰ পাছত ভীমক প্ৰমাণকোটিস্থললৈ লৈ গ'ল, আৰু বিদায় লৈ নাগসকল গুচি আহিল।

তাৰ পাছত ভীম হস্তিনাপুৰলৈ

আহিল। মাতৃক আৰু ধৰ্মৰাজক ভীমে আৰু অন্যান্যৰো কুশল-মংগল সুধিলে।

দুৰ্য্যোধনে কি ভাবিছিল, আৰু কি হ'ল। তেওঁ ভাবি থৈছিল যে—ভীম মৰিল, আৰু তেওঁ নিষ্কণ্টক হ'ল। ভীমৰ আন ভাই-ককাইবিলাক তেওঁৰ মুঠিতে থাকিব—এই কথাত তেওঁ নিঃচিন্ত হৈ আছিল। তেওঁ তেওঁৰ ভায়েক দুঃশাসনক কৈয়েই পেলাইছিল: 'মই ভীমক যমৰ আলহী কৰিলোঁৱেই। তাৰ অস্তিত্ব আমাৰ ভীতিৰ কাৰণ আছিল, সেই ভীতি গুচিল। এতিয়া আমি নিঃচিন্ত বোধ কৰিব পাৰিম। যুধিষ্ঠিৰ আৰু অৰ্জুন শান্ত প্ৰকৃতিৰ। অৰ্জুন যদিও বীৰ হিচাপে ডাঙৰেই, তথাপি ভীমৰ দৰে উৎপাত নকৰিব। আৰু—নকুল-সহদেব ধৰ্তব্যয়েই নহয়।"

কিন্তু ভীমক মাৰিবলৈ চেষ্টা কৰি যে দুৰ্য্যোধনে নিজেই নিজৰ মৰাৰ বাট কাটিলে—কেনেকৈনো তাৰ উমান ল'ব? কেনেকৈ জানিব যে অপকাৰেই হ'লগৈ উপকাৰ? নাগলোকত দিব্যৰস পান কৰি বল-শক্তি-পৰাক্ৰমত ভীম যে দ্বিগুণিত হ'ল—কেনেকৈনো গমিব দুৰ্য্যোধনে? কুটিল-স্বাৰ্থী আচৰণৰ এয়ে শেষ পৰিণাম।

ভীমে কুন্তীক সকলো কথা ক'লে। দুৰ্য্যোধনে কেনেকৈ খাদ্যত বিষ মিহলাই খুৱাইছিল, হাত-ভৰি বান্ধি কেনেকৈ গংগাত ডুবাই দিছিল, ভীম কেনেকৈ নাগলোক পাইছিলগৈ, ভীমে সেই কথা সকলো সবিস্তাৰে ক'লে। কুন্তী দুৰ্য্যোধনৰ কথাত ভীত হৈ থাকিল। কিন্তু ভীমে তেওঁক যথোচিতভাৱে আশ্বস্ত কৰিলে।

*

কৌৰব আৰু পাণ্ডৱসকলকো ধনুৰ্বিদ্যা শিক্ষাৰ বাবে কৃপাচাৰ্য্যৰ ওচৰলৈ পঠোৱা হৈছিল। ভীষ্মই এই বন্দৱস্ত কৰিছিল। ৰাজকুমাৰহঁতে কিছুদিনলৈ কৃপাচাৰ্য্যৰপৰা প্ৰশিক্ষণ লাভ কৰিছিল; কিন্তু পাছত

ভীষ্মই হস্তিনাপুৰলৈ আহি দ্ৰোণাচাৰ্য্যক এই দায়িত্ব অৰ্পণ কৰিছিল, ৰাজকুমাৰইঁতৰ শিক্ষাগুৰুৰূপে ভীষ্মই সুদক্ষ দ্ৰোণাচাৰ্য্যকে নিযুক্ত কৰিছিল।

দ্ৰোণ আছিল ভৰদ্বাজ নামক ঋষিৰ পুত্ৰ। তেওঁ সমগ্ৰ বেদশাস্ত্ৰ অধ্যয়ন কৰিছিল আৰু গুৰু অগ্নিবেশৰপৰা শস্ত্ৰবিদ্যা শিক্ষা কৰিছিল আৰু গুৰুৰপৰা অগ্নেয় আদি অস্ত্ৰ লাভ কৰিছিল।

অগ্নিবেশৰ দ্বিতীয় এজন শিষ্য আছিল পাঞ্চালৰাজ বৃষতৰ পুত্ৰ দ্ৰুপদ। দ্ৰোণ আৰু দ্ৰুপদ একেইগৰাকী গুৰুৰ শিষ্য হোৱাত সেই সময়ত দুয়োৰো মাজত অতি গভীৰ বন্ধুত্বৰ সৃষ্টি হৈছিল।

কিছুদিনৰ অন্তত পাঞ্চালৰাজ বৃষতৰ মৃত্যু হ'ল আৰু দ্ৰুপদ পাঞ্চালৰ সিংহাসনত অধিষ্ঠিত হ'ল।

ইপিনে—দ্ৰোণৰ পিতৃ ভৰদ্বাজও সিফলীয়া হ'ল। পিতৃৰ মৃত্যুৰ অন্তত দ্ৰোণই কৃপাচাৰ্য্যৰ ভনীয়েক কৃষিক বিবাহ কৰালে আৰু বিবাহৰ কিছুদিনৰ পাছত এটি পুত্ৰও লভিলে। এই পুত্ৰটিৰ নাম—অশ্বত্থামা।

দিন যোৱাৰ লগে লগে—পাৰিবাৰিক জীৱনচ লাবলৈ দ্ৰোণক ধনৰ আৱশ্যক হ'ল আৰু ক্ষত্ৰিয়শ্ৰেষ্ঠ পৰশুৰামে উদাৰভাবে ব্ৰাহ্মণক ধন দান কৰাৰ কথা শুনি দ্ৰোণ এদিন পৰশুৰামৰ কাষ চাপিল।



সহপাঠী বন্ধু ৰজা দ্ৰুপদৰ কাষ চাপিল।

অহংকাৰী দ্ৰুপদে দ্ৰোণ নামৰ কোনোবা ব্ৰাহ্মণৰ সৈতে বন্ধুত্বৰ কথা হাঁহিৰে উৰাই দিলে আৰু ক'লে, "তুমি কোন—মই জ্ঞাত নহওঁ আৰু জ্ঞাত হোৱাৰ প্ৰয়োজন নাই। ইয়াৰপৰা ভালে-ভালে গুচি যোৱা।"

অপমানিত দ্ৰোণ হস্তিনাপুৰলৈ উলটিল আৰু তেওঁ তেওঁৰ খুলশালিয়েকৰ ওচৰত সম্পূৰ্ণ অজ্ঞাত জীৱন অতিবাহিত কৰি থাকিল।

এদিন কৌৰৱ আৰু পাণ্ডৱ কোঁৱৰহঁতে ঘূৰণীয়া বস্তু এটাৰে—'গোলা' এটাৰে খেলি থাকোঁতে—সেই গোলাটো এটা কুঁৱাৰ ভিতৰলৈ পৰিল আৰু সিহঁতে বহু চেষ্টাতো সেইটো কুঁৱাৰপৰা উঠাই আনিব নোৱাৰিলে। ঠিক সেই সময়ত দ্ৰোণ সেই ফালেদি ক'ৰবালৈ গৈ আছিল। তেওঁ ৰাজকুমাৰহঁতক ক'লে, "বালকসকল, তোমালোক ভৰতবংশৰ সন্তান, কৃপাচাৰ্য্যৰ শিষ্য; তথাপি এটি গোলা কুঁৱাৰপৰা উঠাই আনিব নোৱাৰিবানে?"

ধৰ্মৰাজে দ্ৰোণক ক'লে, "হে ব্ৰাহ্মণোত্তম, আপুনি যদি এই কামটি কৰি দিব পাৰে, কৃপাচাৰ্য্যই আজীৱনকালৰ বাবে আপোনাৰ ভৰণ-পোষণ কৰিব।"

দ্ৰোণই ধনুৰ্বাণ হাতত ল'লে, আৰু

পৰশুৰামে দ্ৰোণক ক'লে, "পুত্ৰ, মোৰ য'ত যত আছিল, ব্ৰাহ্মণসকললৈ দিলোঁ। সমস্ত ভূমি প্ৰদান কৰিলোঁ—কশ্যপক। এতিয়া—শস্ত্ৰৰ বাহিৰে মোৰ ওচৰত আন একোৱেই অৱশিষ্ট নাই।"

দ্ৰোণই ক'লে, "তেনেহ'লে সেই শস্ত্ৰয়েই মোক দিয়ক।"

পৰশুৰামে তেওঁৰ সমস্ত শস্ত্ৰ দ্ৰোণক দিলে। লগতে সেই অস্ত্ৰ-শস্ত্ৰ সমূহৰ প্ৰয়োগবিধিও শিকাই দিলে।

কিন্তু—কিন্তু কেৱল অস্ত্ৰ-শস্ত্ৰেৰে তো পৰিয়ালৰ পালন-পোষণ ন'হব; গতিকে দ্ৰোণই অনেক ভাবি অৱশেষত তেওঁৰ



এপাট বাণ 'গোলা'টোত বিন্ধাই দ্বিতীয় বাণ এপাট বাণতে বিন্ধালে, আৰু এই-দৰে তৃতীয় চতুৰ্থ পঞ্চম ষষ্ঠ আৰু সপ্তম বাণ বাণতে বিন্ধোৱাৰ পাছত সেই 'গোলা'টো কুঁৱাৰপৰা উলিয়াই আনিলে।

দ্ৰোণৰ এনেহেন অদ্ভুত-আচৰিত ধনুৰ্বিদ্যা দৰ্শনত সকলো বালকেই অবাক মানিলে। আটায়েই একেলগে কৈ উঠিল, "হে প্ৰভু, আমি আজিকোপতি এনে অদ্ভুত বিদ্যা—আগে কেতিয়াও দেখা নাছিলোঁ। আপুনি কোন নাজানো, আৰু আমি আপোনাৰ সেৱা কেনেকৈ কৰিব পাৰোঁ তাকো নাজানো।"

"তোমালোক বালকমাত্ৰ, তোমা-লোকেনো মোৰ কি সেৱা কৰিবা ? মোৰ কথা পাহৰি আগৰ দৰে খেলি থাকা। কিন্তু মোৰ কথা ভীষ্মক নিশ্চয় ক'বাগৈ।" দ্ৰোণই ক'লে।

ৰাজকুমাৰহঁতৰ মুখে দ্ৰোণৰ কথা শুনি ভীষ্মই দ্ৰোণক আদৰি অনাই সুধিলে, "আপুনি—হস্তিনাপুৰলৈ কিয় আহিল—জানিব পাৰোঁনে?"

দ্ৰোণই নিজৰ উপৰিপুৰুষৰ বৃত্তান্তৰপৰা আৰম্ভ কৰি বৰ্তমানলৈকে সকলো বিবৰি, ক্ষন্তেকমান ৰৈ, নিৰ্লিপ্ত ভংগীৰে ক'লে, "কৃপাচাৰ্য্যৰ ভগ্নীক বিবাহ কৰিবলৈ মোৰ পিতৃদেৱেই মোক আদেশ দি থৈ গৈছিল, মই পিতৃ-আজ্ঞা পালন কৰিছিলোঁ। অশ্বত্থামা জনমিল। পুত্ৰ অশ্বত্থামাই অন্যান্য বালকৰ দৰে গো-দুগ্ধ পান কৰিবলৈ অত্যন্ত ইচ্ছুক হোৱাত মই পানীত আটাগুড়ি মিলাই তাকেই দুগ্ধ বুলি পান কৰিবলৈ দিছিলোঁ৷ আৰু সি-ও পৰমবিশ্বাসেৰে পান কৰিছিল ; কিয়নো দুগ্ধৱতী গাভী কিনিবপৰা আৰ্থিক সামাৰ্থ্য মোৰ নাছিল। আশ্ৰমবাসীসকলে মোৰ দাৰিদ্ৰ্যলৈ মোৰ প্ৰতি ধিক্কাৰ জ্ঞাপন কৰিলে। তেতিয়া এদিন ভাবোঁতে ভাবোঁতে মোৰ সহপাঠী দ্ৰুপদৰ কথা মোৰ

মনত পৰিল। তেতিয়া দ্ৰুপদে কৈছিল, 'যদি কেতিয়াবা মই ৰাজ্যলাভ কৰোঁ, বন্ধু, সেই ৰাজ্য মই তোমাকেই দিম'। কিন্তু এতিয়াৰ মহাৰাজা দ্ৰুপদে মোৰ সৈতে কি আচৰণ কৰিলে, আপোনাক ক'লোঁৱেই। — মোৰ আত্মাভিমান অতিপাত আহত। পত্নী-পুত্ৰৰ হাতত ধৰি মই আপোনালোকৰ কুৰুদেশলৈ আহিলোঁ, আপুনি মতাই পঠালে, আহিলোঁ। কওক, মোৰ প্ৰতি কি আজ্ঞা।"

"আপুনি কুৰুদেশলৈ পদাৰ্পণ কৰাত আমাৰ বালকহঁতৰ অশেষ কল্যাণ সাধিত হ'ল। সত্য ক'বলৈ হ'লে, আপোনাৰ এই আগমন — আমাৰ সৌভাগ্যৰ সূচনা। ইয়াত আপোনাৰ কাৰণে সকলোবিধৰ আৱশ্যকতাৰ সুচাৰু বন্দবস্ত কৰা হ'ব। আপোনাকেই সম্ৰাট বুলি মানি আপোনাৰ আজ্ঞাকে আমি মান্য কৰি চলি থাকিম।" ভীষ্মই সবিনয়ে দ্ৰোণাচাৰ্য্যক ক'লে আৰু তেতিয়াৰেপৰাই তেওঁ কৌৰৱ-পাণ্ডৱ কোঁৱৰহঁতক অস্ত্ৰবিদ্যাৰে সুনিপুণ কৰি তুলিবলৈ দ্ৰোণাচাৰ্য্যক অনুৰোধ কৰিলে।

*

সকলো ৰাজকুমাৰক সজতনে বহুৱাই লৈ দ্ৰোণই ক'লে, "ধনুৰ্বিদ্যা শিক্ষান্তে তোমালোকে মোক কাম এটি কৰি দিবা।"

এই কথাৰ উত্তৰত কোনেও একো নক'লে; কেৱল অৰ্জুনে থিয় হৈ ক'লে,

"গুৰুদেৱ, আপুনি যি কৰিবলৈ ক'ব, মই নিশ্চয় কৰিম।" দ্ৰোণ প্ৰসন্ন হ'ল। তেওঁ অৰ্জুনক বাৰে বাৰে চুমা খালে।

দ্ৰোণৰপৰা কেৱল কৌৰৱ-পাণ্ডৱৰ কোঁৱৰহঁতেই নহয়, হস্তিনাপুৰৰ গুৱাল সম্প্ৰদায়ৰ—অৰ্থাৎ যাদৱহঁতেও তেওঁৰপৰা ধনুৰ্বিদ্যা শিকি থাকিল।

অস্ত্ৰ-শস্ত্ৰৰ প্ৰকৃত প্ৰয়োগত অৰ্জুন হৈ উঠিছিল সৰ্বোত্তম। ধনুৰ্বিদ্যাত যে অৰ্জুনে অপাৰ-অচিন্ত্যনীয় দক্ষতা আৰ্জিব পৰা হ'ব—সেই কথাত শিক্ষাগুৰু দ্ৰোণাচাৰ্য্য নিঃসন্দেহ হৈ আছিল।

কেতিয়াবা কেতিয়া দ্ৰোণই এটি বিশেষ কাম কৰিছিল। সকলো শিষ্যক লোটা এটা দি — পানী আনিবলৈ কৈছিল। নিজৰ পুত্ৰ অশ্বথমাক বহল মুখৰ লোটা দিছিল, আৰু অন্যান্যক দিছিল সৰু মুখৰ লোটা। লোটাৰে সৈতে অতি দ্ৰুততাৰে উলটি অহাক তেওঁ শস্ত্ৰ-বিদ্যাৰ বহুতো অজান ৰহস্য শিকাইছিল।

অশ্বথমাই আন সকলোটিতকৈ আগতে পাইছিলহি পানীৰে ভৰ্তি হৈ থকা লোটা লৈ। কথাটোলৈ অৰ্জুনে মন কৰিলে। তেতিয়া অৰ্জুনে বৰুণাস্ত্ৰৰ লোটাত শীঘ্ৰে পানী ভৰাই অশ্বথমাৰ সৈতে আহি থাকিল আৰু তেতিয়া অশ্বথমাই জনা অজান শস্ত্ৰ-ৰহস্য অৰ্জুনেও জানি থাকিল।

দ্ৰোণৰ গৃহত এদিন সকলো শিষ্যই ভোজন কৰি থাকোঁতে চাকি নুমাল আৰু ঘোৰ অন্ধকাৰ বিয়পি পৰিল; কিন্তু সেই অন্ধকাৰৰ মাজতে সকলেটিয়েই আহাৰ কৰি থাকিল। তেতিয়া অৰ্জুনে কৈ উঠিল, "যদি অন্ধকাৰত আহাৰ কৰিব পাৰিছোঁ, ধনুৰ্বিদ্যা কিয় শিকিব নোৱাৰিম?"

পাছত অৰ্জুনে অকলশৰেই অন্ধকাৰত ধনুৰ্বিদ্যাৰ অভ্যাস কৰি থকা দেখি দ্ৰোণাচাৰ্য্যই অৰ্জুনক ক'লে, "পুত্ৰ, ধনুৰ্বিদ্যাত মই তোমাক অদ্বিতীয় কৰি তুলিম।" [আগলৈ



মহালক্ষ্মী মন্ত্ৰ

গৌৰীপুৰৰ গৌৰী আছিল দন্দ কিনা তিৰোতা। গৌৰীৰ ধনৰ লোভও আছিল বৰ। দুটি ল'ৰা-ছোৱালী। ছোৱালী-জনীক বিয়া দিলে। এতিয়া গোপালৰ বিয়া পতাৰ কথা ভাবিছে! পিছে—দৰে-ভাওৱেহে দৰা বিকিব, দৰে-ভাওৱে নাই মিলা আৰু সেই কাৰণে পো-ৰ কাৰণে বোৱাৰীও নাই মিলা।

গোপাল পঢ়া-লিখা আছিল। কাছাৰীত সৰুসুৰা কামো এটি কৰিছে। আৰু সেই কাৰণে মাক গৌৰীয়ে দৰা দিবলৈ ইমান যে দৰাইছে—যি আহিছে—যেৱেই আহিছে—উফৰি গৈছে। গৌৰীৰ কথা হ'ল—গোপাল হ'ল ল'ৰা, ল'ৰাক যদি দৰা হিচাপে দিবই লাগে—দৰ-দাম দিব তো লাগিবই জোখে-জোখাৱে। কিয়নো গোপালক দৰা হিচাপে বেচি, সেই দৰা-বেচা ধনেৰে ঠেঙৰ ওপৰত ঠেং দি বাদবাকী গু-জীৱন—আয়েমেৰে খোৱাৰ মন।

গোপাল কিন্তু মাকৰ বিপৰীত। গোপালে জানে আৰু মানে, বিয়া হ'ল জীৱনৰ শুভতম কাম, এই কামত কৰিব নাপায় দৰ-দাম। স্বাভাৱিকভাবে যি আহিব, তাকেই ল'ব, এয়ে হ'ল গোপালৰ মনৰ ভাব। কিন্তু মাকক লৈছে বিপদ। ইপিনে—গোপালে যে চুবুৰীয়া ছোৱালী এজনীক—নিৰ্মলাক ভাল পাই পেলাইছে—আৰু সি যে নিৰ্মলাকে বিয়া কৰাব বুলি নিৰ্মলাক কথা দিছে—মাক গৌৰীয়ে তাৰ বিন্দু-বিসৰ্গও নাজানে।

এই বিয়া হোৱা টান, কাৰণ হ'ল নিৰ্মলাহঁতৰ- ঘৰুৱা অৱস্থা ভাল নহয়।

সত্যবতী শৰ্মা

আৰু নিৰ্মলাৰ দেউতাকৰ লগত গোপালৰ মাকৰো কাজিয়া-বিবাদ প্ৰায়েই হয়। বৰ বেছি দুৰ্বলৈ নাবাগৰে, কিন্তু কাজিয়াৰ জুই উমি উমি পোৰে।

গোপাল এই কথাত বৰ চিন্তিত। সাপও মৰিব লাঠিডালো নভগাকৈ থাকিব- বিধৰ কোনো সমাধান বিচাৰি পাব লাগে—কিন্তু কথা হ'ল—লাগে বুলিলেই পায়নো ক'ত ?

এদিন এই বিষয়ে কথা পাতিবলৈ সি মনে মনে অতি সংগোপনে নিৰ্মলাৰ সৈতে দেখা কৰিলে আৰু তাইক ক'লে, "মোৰ মাৰ স্বভাৱ যিমানেই বেয়া নহওক, যিমানেই অযুক্তিকৰ হওক, তেওঁ মোৰ —মা। তেওঁৰ পৰিবৰ্তনৰ বাবে মই কেৱল আশাহে কৰি থাকিব পাৰোঁ, আন একো কৰিব নোৱাৰোঁ। এনেহেন পৰিস্থিতিত তুমি কিবা উপায় উলিয়াব পাৰিবানে ? যদি তোমাক মই বিয়া কৰাই শান্তিপূৰ্ণ জীৱন যাপিম—এই আশা যদি তোমাৰো আছে—কিবা এটা উপায় দিয়া।"

গোপালৰ স্বভাৱ যে তাৰ মাকৰ দৰে কাঠ-কঠিন নহয়; জানে নিৰ্মলাই, গোপাল হ'ল শান্ত স্বভাৱৰ ভদ্ৰ ল'ৰা।

নিৰ্মলাই গোপালক ক'লে, "উপায় হয়তো কিবা এটাও লাব, পিছে—সেই উপায় বৰ সহজ নহ'বও পাৰে, হয়তো টান হ'ব পাৰে। কথাতে বোলে—টান মুখ দীঘল ফুঁক, তেহে দেখিবা জুইৰ মুখ।" হাঁহিলে নিৰ্মলাই।

গোপালেও হাঁহিৰে ক'লে, "বেমাৰটি যে টানৰো টান—মই তো নজনা নহয়। বেমাৰ হ'ব টান, আৰু দৰব হ'ব সাধাৰণ —কেনেকৈনো ? বেমাৰ চাই দৰব হ'ব। এই বেমাৰৰ দৰব যদি ঢেৰ তিতাও হয়, কোনো কথা নাই। কেৱল মনত ৰাখিবা, ইকূল-সিকূল দুকূল বজায় ৰাখিব লাগিব, বছ—কথা ইমানেই।"

“ঠিক আছে, যিমান সোনকালে উপায় উলিয়াব পাৰি, তোমাক খবৰ দিম।” নিৰ্মলাই ক’লে।

দুই-তিনি দিনৰ মাজতে নিৰ্মলাই তাইৰ মৰমিয়াল দেউতাকৰ সহযোগিতাৰে এটি আঁচনি পাঙিলে, আৰু গোপালক মতাই অনাই কোৱাত, গোপালেও লগে লগে সেই আঁচনিত তাৰ আন্তৰিক সন্মতি দিলে।

আৰু মাত্ৰ সাত দিনৰ অন্তত এক বিচিত্ৰ ঘটনা ঘটিল।

এদিন ঘৰৰ চোতালত গোবৰ-পানী ছটিয়াবলৈ ধৰোঁতে নিৰ্মলাৰ হঠাৎ চকু পৰিল এক বিশেষ দৃশ্যলৈ। সিহঁতৰ চোতালৰ এচুকত থকা গছ এজোপাৰ তলত এজন অতি বুঢ়া সাধু অচেতন হৈ পৰি আছে। নিৰ্মলাই দৌৰি গৈ তাইৰ দেউতাকক ক’লে, আৰু তাৰ পাছত দুয়ো মিলি অচেতন সাধুবাবাক ঘৰৰ ভিতৰলৈ নি বিছনাত শোৱালে। নিৰ্মলাই সাধুবাবাৰ সেৱা-শুশ্ৰূষাত মন দিলে।

দুটা দিনৰ অন্তত সাধুবাবা সুস্থ হৈ উঠিল। সাধুবাবাৰ বিবৰণ হ’ল এয়ে যে :

তেওঁৰ নাম হ’ল করুণাকৰ, তেওঁৰ বয়স হেনো এশ-পঁচিছ বছৰ। এশ-দহ বছৰলৈকে হিমালয়ত একান্ত সাধনা কৰাৰ অন্তত লোকৰ মংগলৰ কথা চিন্তি লোকালয়লৈ আহিছে। আৰু দুই বছৰৰ মাজতে তেওঁ নিৰ্বাণপ্ৰাপ্ত হ’ব, তাৰ আগতে তেওঁৰ সাধনালব্ধ ফল লোক-সমাজৰ হিতাৰ্থে বিলাব। এই কামতে হিমালয়ৰপৰা পদব্ৰজে আহি এই ঠাইত অচেতন হৈ পৰিছিল।

মহাবৃদ্ধ সাধুবাবাৰ আশ্চৰ্য কাহিনী বনাগ্নিৰ দৰে বিয়পি পৰিল। ফল-ফুল দান-দক্ষিণাদি লৈ দলে দলে মানুহ-মুনিহ সাধুবাবাৰ ওচৰলৈ আহি থাকিল। আৰু এই সাধুবাবাৰ কথা অহকাণে-পহকাণে গৈ গৈ গোপালৰ মাক গৌৰীৰ কাণও

তৎমুহূৰ্ততেই পালেগৈ।

সাধুবাবাৰ নানান অলৌকিক ক্ষমতাৰ কথা শুনি গোপালৰ মাক গৌৰীৰ ৰব মন গ'ল সাধুবাবাক দৰ্শন কৰিবলৈ। কিন্তু নিৰ্মলাইঁতৰ ঘৰলৈ তেওঁ যায় কেনেকৈ ? তথাপি—ৰ'ব নোৱাৰি, তেওঁ নিৰ্মলাইঁতৰ ঘৰলৈ যোৰাটোকে খাটাং কৰিলে সাধুবাবাৰ শ্ৰীচৰণৰ আশীৰ্বাদ পাবলৈ, আৰু পাৰিলে সাধুবাবাক এটি বাৰলৈ ঘৰলৈ লৈ আহিবলৈ। গৌৰীৰ উদ্দেশ্য : সাধুবাবাক ঘৰলৈ আনি—খাতিৰ-যত্ন কৰি—কিবা মহিমা আদায়।

অৱশেষত এদিন জাতি-মান কাতি কৰি থৈ নিৰ্মলাইঁতৰ ঘৰলৈ গ'ল ; কিন্তু সেই দিনা সাধুবাবাৰ দৰ্শন নাপালে। সাধুবাবা ধ্যানমগ্ন হৈ আছিল, আৰু নিৰ্মলাক এক আচৰিত মন্ত্ৰ শিকোৱাৰ কামত ব্যস্ত হৈ আছিল, এই মন্ত্ৰৰ নাম আছিল — মহালক্ষ্মী মন্ত্ৰ। শুভ শাওণ মাহৰ মূলানক্ষত্ৰযুক্ত পূৰ্ণিমাৰ দিনা এই মন্ত্ৰ আঠবাৰ জপিলে ঘৰৰ চাৰি চুকত এশ আঠুটিকৈ সোণৰ মোহৰ পোৱা যাব !

আৰু এই কথা শুনিয়েই গৌৰীৰ মন গ'ল—যেনেতেনে নিৰ্মলাজনীক বোৱাৰী কৰি নিবলৈ।

আৰু ইতিমধ্যে নিৰ্মলাক মহালক্ষ্মী মন্ত্ৰ শিকাই দিয়াৰ পৱিত্ৰ কামটিও শেষ হ'ল বুলি কোৱাত গৌৰীয়ে খৰখুজীয়াকৈ নিৰ্মলাইঁতৰ ভিতৰ-ঘৰলৈ সোমাই গৈ সাধুবাবাৰ আগত উবুৰি খাই প্ৰণাম কৰি অচেতনৰ দৰে পৰি ৰ'ল।

সাধুবাবাই উঠিবলৈ কোৱাত ভক্তি-মতী ছিৰিমতী গৌৰী মাটিৰপৰা উঠিল আৰু হাত যোৰ কৰি সাধুবাবাক কোৱা হ'ল তেওঁলোকৰ ঘৰলৈ এটিবাৰলৈ পদধূলা দিবলৈ।

সাধুবাবাই মিঠাকৈ হাঁহিৰে ক'লে, "এতিয়া আৰু সেই সময় নাই। মোৰ গুৰু আদেশ, কোনো ঠাইত সাতদিনতকৈ

অধিক দিন অৱস্থান নহ'ব। ছ মাহৰ অন্তত নির্মলা আয়ে মহালক্ষ্মী মন্ত্র পাঠ কৰিব শাওণ মাহৰ পূর্ণিমাৰ শুকুৰবাবৰ দিনা। তাইৰ অত্যন্ত আগ্রহত মেয়ো আহিম আৰু মহালক্ষ্মী পূজা সম্পন্ন কৰিম। তেতিয়া হয়তো এটিবাৰ তোমাৰ ঘৰলৈ যাব পাৰিম।"

গৌৰীয়ে হাত যোৰ কৰি ক'লে, "সকলো আপোনাৰ কিৰ্পা, বাবা! কিন্তু—মোৰ এটি সামান্য ইচ্ছাৰ কথা—কওঁনে আপোনাক?"

"কোৱা।" সাধুবাবাই ক'লে।

"আপোনাৰ মৰমৰ শিষ্যা নির্মলাক আমি সকলেপৰাই দেখি আহিছোঁ। হে মহাত্মা, যদি সম্ভৱ হয়, নির্মলাজনীক বোৱাৰী হিচাপে লোৱাৰ বৰ মন।" গৌৰীয়ে গুৰুমগুলী কৰিলে।

সাধুবাবাই অলপ পৰলৈ মৌন হৈ থাকিল, তাৰ পাছত চকু মুদিলে, আৰু পাছত চকু মেলি ক'লে, "অ'—তোমাৰ একমাত্র পুত্ৰ—কাছাৰীত কাম কৰা গো পা ল ৰ বাবে—নহয়নে? মই ঠিক কোৱা নাইনে?"

"হয়, ঠিকেই কৈছেহে বাবা!" ত ৱধ মানি গৌৰীয়ে ক'লে।

"ঠিক হায়, মোৰ আশীর্বাদ থাকিল।"

সাধুবাবাই গৌৰীক ক'লে।

তাৰ পাছত এদিন শুভদিন চাই গোপালে নির্মলাক বিয়া কৰি পেলালে আৰু স্বস্তিৰ উশাহ এৰিলে।

গোপালহঁতৰ ঘৰলৈ অহাৰ এমাহৰ ভিতৰত নির্মলাই গোপালহঁতৰ বাৰীত শাক-পাচলিৰ খেতি কৰিলে আৰু লগতে তাত সৰু ঘৰ এটা সাজি, সেই ঘৰটোত এহাল ম'হ কিনি আনি পালিবলৈ ধৰিলে। প্ৰায় পাঁচ মাহমানৰ মূৰত ম'হৰ গাখীৰ আৰু খেতিৰ শাক-পাচলি বেচি ঘৰখনৰ খোৱা-পিন্ধাৰ খৰচ উলিয়াবৰ উপৰিও ভালেখিনি ধন সাঁচি শাহুৱেক গৌৰীৰ

হাতত গটাই দিলে।

মহালক্ষ্মীমন্ত্ৰৰ সহায় নোহোৱাকৈয়েই বোৱাৰীয়ে এইবোৰ কৰাত সাহুৰেক গৌৰীয়ে ভালেই পালে। তথাপি, মহালক্ষ্মী-মন্ত্ৰেৰে সোণৰ মোহৰ পোৱাৰ আশা এদিনৰ কাৰণেও নেৰিলে তেওঁ।

অৱশেষত শাওণ মাহ আহিল, আহিল আহিল শাওণৰ সেই পূৰ্ণিমাৰ শুকুৰবাৰ, আৰু আহিল সাধুবাবা কৰুণাকৰ আৰু আৰু লগতে নিৰ্মলাৰ দেউতাক আৰু গংগাধৰ নামৰ আন এজন। সাধুবাবাক দেখা পায়েই গৌৰীৰ সাতখন-আঠখন লাগি গ'ল।

সাধুবাবাই গৌৰীক ক'লে, "গৌৰী, তোমাৰ ঘৰত সৌভাগ্যৰ চিন দেখা পাইছোঁ। বোৱাৰীয়ে দেখোন মহালক্ষ্মী-মন্ত্ৰৰ সহায়-ভহায় নোহোৱাকৈয়ে ই ঘৰখনৰ শ্ৰীবৃদ্ধি কৰি পেলালে। তেনেহ'লে আৰু মিছামিছিকৈ—" কৈ কৈ সাধুবাবাই তেওঁৰ নকলী জটা-দাড়ি আদি সোলোকাই পেলোৱাত গৌৰীয়ে চিঞৰ ধৰিলে, "কি! ইমান ডাঙৰ প্ৰতাৰণা! মোক!"

নকলী সাধুবাবাই ক'লে, "চোৱাচোন গৌৰী, তোমাৰ সেই ভাৱৰীয়া মামাৰক চিনি পাইছানে নাই—?"

ভালকৈ চাই গৌৰীয়ে কৈ উঠিল, "কি যে কাণ্ড! মামা! তুমি!"

"ওঁ, মই, বিপদত পৰা গোপালক সহায় কৰিবলৈ মই নাহি নোৱাৰিলোঁ। —এতিয়া কোৱা, বোৱাৰী কেনে পাইছা?" মোমায়েকে সুধিলে।

গোপালৰ মাক গৌৰীয়ে হাঁহিৰে ক'লে, "গোটেই জীৱনকাল ধৰি কৰা ভুলৰ শুধৰণী এতিয়াহে হ'ল। মহালক্ষ্মী-মন্ত্ৰ আৰু নালাগে, কিয়নো—বোৱাৰীৰ ৰূপত জীৱন্ত মহালক্ষ্মীকে পালোঁ।" এই বুলি কৈ, শাহুৰেক গৌৰীয়ে বোৱাৰী নিৰ্মলাক বুকুত আঁকোৱালি ল'লে।



প্ৰকৃত তপোবল

বহু বহু কালৰ আগৰ কথা। মহৰ্ষি কুমুদে বিষ্ণুৰপৰা বৰ প্ৰাপ্তিৰ বাবে ঘোৰ তপস্যামগ্ন হৈ আছিল। তপস্যাৰ অন্তত এদিন বিষ্ণু-আৰু লক্ষ্মীয়ে মহৰ্ষি কুমুদক দেখা দিলে। কুমুদে সাষ্টাংগে প্ৰণাম কৰিলে বিষ্ণু আৰু লক্ষ্মীক। তেতিয়া বিষ্ণুৱে মহৰ্ষি কুমুদক সুধিলে, "তোমাক কি বৰ লাগে, কোৱা।"

যেতিয়া তপস্যামগ্ন হৈছিল, তেতিয়া কুমুদ মহৰ্ষিৰ মনত কোনো ইচ্ছা নাছিল। গতিকে—এতিয়া তেওঁ ফাপৰত পৰা যেন পালে, কি বৰ খুজিব তেওঁ? একোৱেই মনত পৰা নাই দেখোন!

লক্ষ্মীয়ে কুমুদৰ তলে শিল ওপৰে কিল অৱস্থালৈ মন কৰি কুমুদক ক'লে, "বৎস, তোমাৰ ভকতিৰে আমি অতি প্ৰসন্ন হৈছোঁ। এতিয়াই বৰ নুখুজিলেও হ'ব। এমাহৰ অন্তত আমি আকৌ তোমাক দেখা দিমহি, তেতিয়া বৰ খুজি ল'বা।"

এই কথা কোৱাৰ অন্তত বিষ্ণু আৰু লক্ষ্মী অদৃশ্য হ'ল।

তেওঁৰ তপস্যা যে সফল হ'ল—এই কথাতে মহৰ্ষি কুমুদ তৃপ্ত, আনন্দিত। তেওঁ নিজ আশ্ৰমলৈ উলটিল আৰু এই কথা তেওঁৰ শিষ্যবৰ্গক ক'লে।

গুৰুৰ অমোঘ তপোবলৰ কথা শুনি শিষ্যগণে আচৰিত মানিলে। স্বয়ং মহাবিষ্ণু প্ৰত্যক্ষিত হোৱাটো ধেমালিৰ কথা নহয়। আকৌ—গুৰুৱে কোনো বৰও নুখুজিলে!

শিষ্যগণে মহৰ্ষি কুমুদৰ এনেহেন ত্যাগৰ প্ৰশংসাত পঞ্চমুখ হ'ল। তেওঁলোকে ক'লে যে চতুৰ্দশ ভুৱনতো তেওঁৰ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

নিচিনা ত্যাগী ক'তো বিচাৰি পাবলৈ নাই।

শিষ্যবৰ্গৰ কথা শুনি মহৰ্ষি কুমুদৰ অহংকাৰ উপজিল। তেওঁ ভাবি থাকিল যে—তেওঁতকৈ শ্ৰেষ্ঠ মহৰ্ষি জগতত নাই।

এদিন তেওঁ সশিষ্য গংগাস্নানলৈ ওলাল। স্নানৰ অন্তত আশ্ৰমলৈ উভতি আহোঁতে বৈৱত নামক এগৰাকী ৰাজৰ্ষিৰ সৈতে দেখাদেখি। তেওঁৰ সৈতে তেওঁৰ পত্নী আৰু দহজন পুত্ৰও আছিল। কুমুদৰ শিষ্যবৰ্গৰ মনত সন্দেহ উপজিল: এওঁনো কেনেকুৱা ৰাজৰ্ষি? এওঁ দেখোন পৰিবাৰিক বন্ধনেৰে বন্ধা।

কথাটো সোধাত মহৰ্ষি কুমুদে শিষ্যবৰ্গক ক'লে, "প্ৰকৃত ঋষি—এগৰাকীয়ে পৰিবাৰিক বন্ধনৰপৰা আঁতৰি থাকিব লাগে। মযো বুজা নাই—এই বৈৱত কেনেকৈ ৰাজৰ্ষি হ'ল। এওঁ দেখোন পত্নী-পুত্ৰাদিৰে সৈতে আনন্দময়তাৰ সোঁতত উটিছে। কিছুমান এনেহেন তপস্বীও আছে, যিসকলে হাবিয়ে হাবিয়ে ফুৰে আৰু হাবিৰ ফল-মূল খায়। এইবিধেও যে কেনেকৈ ভগৱানৰ দৰ্শন পায়—নাজানো। মোৰ বোধেৰে এইবিলাক ঋষিও নহয়, তাপসিকো নহয়।"

মহৰ্ষি কুমুদে শিষ্যহঁতক ক'লে কথাখিনি, কিন্তু নিজৰ উত্তৰত নিজেই বৰ ভাল নাপালে। তেওঁ ভাবিলে: ঠিক আছে, আৰু কিছুদিনৰ অন্তত যেতিয়া

মহাবিষ্ণুৰ দৰ্শন পাম, তেতিয়া তেওঁকে কথাটো সুধিম।

কুমুদে বৰ খোজাৰ কথা পাহৰিয়েই থাকিল। তেওঁ বিষ্ণুক বৈৰত ৰাজৰ্ষিৰ কথা সুধিলে।

তেতিয়া বিষ্ণুৱে মৃদুকৈ হাঁহিবে কুমুদক ক'লে, "কুমুদ, মোৰ প্ৰতি ভক্তিহে প্ৰধান কথা। মন যদি নিৰ্মল নহয়, সন্ন্যাস গ্ৰহণ কৰাতোবা ফল কি? পিছে—এই প্ৰশ্নৰ সঠিক তথা প্ৰত্যক্ষ উত্তৰ পাবলৈ হ'লে তুমি শ্ৰীশৈলগিৰিত থকা সুধৰ্মৰ কাষ চাপা।" এই বুলি কৈয়েই তেওঁ অন্তৰ্হিত হ'ল।

কুমুদ মহৰ্ষি সশিষ্য শ্ৰীশৈলগিৰিলৈ বুলি তৎমুহূৰ্ততে ৰাওণা হ'ল।

বাটত এঠাইত—পাতালগংগাত স্নান সমাপন কৰোঁতে তাত মগৰ এটাই কুমুদৰ ভৰিত কামুৰি ধৰাত শিষ্যহঁতে চিৎকাৰ কৰিবলৈ ধৰিলে। কিন্তু কুমুদে নিডৰে-নিৰভয়ে তীব্ৰ-তীক্ষ্ণ দৃষ্টিৰে মকৰলৈ দৃষ্টি-পাত কৰাত মগৰটো ছটফটাই তাতেই তৎক্ষণাৎ মৰি থাকিল।

আৰু এহ ঘটনাই কুমুদৰ মনত অহংকাৰ অধিকভাবে বৃদ্ধি কৰিলে।

আৰু দুটা দিনলৈ গৈ গৈ সশিষ্য কুমুদে শ্ৰীশৈলগিৰি পালেগৈ। তেতিয়া সুধৰ্ম ঘৰত নাছিল, সুধৰ্মৰ পত্নীয়ে ঘৰৰ দুৱাৰত বহি ফটা-ছিঙা বস্ত্ৰত তাপলি

মাৰি আছিল। তেওঁ তেওঁৰ পতি নহালৈকে কুমুদক শিষ্যসকলৰে সৈতে গৃহ-প্ৰাংগণত বহিবলৈ ক'লে।

এই তিৰোতাজনীৰ আচৰণত মহৰ্ষি কুমুদৰ খং উঠিল। তেওঁ নিজক উপেক্ষিত হোৱা বুলি ভাবি ল'লে আৰু অপমান পাই সুধৰ্মৰ পত্নীলৈ মগৰৰ পিনে দৃষ্টিপাত কৰাদি তীব্ৰ তীক্ষ্ণ দৃষ্টিৰে চালে; কিন্তু সুধৰ্মৰ পত্নীৰ ক্ষেত্ৰত মগৰৰ ঘটনা নঘটাত কুমুদ নিজৰ তপোবলত কিছু সন্দেহযুক্ত হৈ পৰিল।

ইতিমধ্যে সুধৰ্ম আহিল আৰু আলহী-সকলক ঘৰৰ ভিতৰ লৈ গ'ল.

অতি কম সময়ৰ ভিতৰত সুধৰ্মপত্নীয়ে আহাৰ্য্য প্ৰস্তুত কৰিলে, আৰু সেই খাবলৈ আলহীসকলক দিলে।

কিবা কাৰণত আহাৰ্য্য পদাৰ্থবোৰ চেঁচা পৰি গৈছিল আৰু কথাটো ব্যংগ ভাবেৰে কুমুদে সুধৰ্মক কোৱাত সুধৰ্মই তালপাতৰ বিচনীৰে আহাৰ্য্যত বিচবিলৈ ধৰিলে আৰু নিমিষতে সেই চেঁচা পৰা আহাৰ্য্য পদাৰ্থ তপত হৈ উঠিল।

হতবাক কুমুদে আহাৰ সমাপ্ত কৰি যেতিয়া হাত ধুবলৈ কুঁৱাৰ পাৰলৈ গ'ল, তেতিয়া আৰু এটি অদ্ভুত-আচৰিত দৃশ্য দেখা পালে। কুঁৱাৰ ৰছীৰে সৈতে পানীৰে পৰিপূৰ্ণ পাত্ৰ এটি কুঁৱাৰ ভিতৰত ওলমি আছিল।

সুধৰ্মৰ পত্নীয়ে অবাক হৈ পৰা কুমুদক হাঁহি হাঁহি ক'লে, "মই পানী তুলি থাকোঁতে তেওঁ মাতিছিল বুলি তেনেকৈ থৈ গৈছিলোঁ।"

এইবাৰ মহৰ্ষি কুমুদে শ্ৰীবিষ্ণুৰ কথাৰ মৰ্ম উপলব্ধি কৰিলে, আৰু প্ৰকৃত তপোবল কাক বোলে— প্ৰত্যক্ষ কৰি মনৰপৰা সকলো সন্দেহ-দূৰ কৰি নিৰ্মল হৃদয় মাত্ৰ সম্বল কৰি ভগৱানৰ আৰাধনাৰে মোক্ষ লাভ কৰিলে।



বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

তাপ চাই মাৰে তাপ তাৰ নাম জুনজুনি সাপ!

আমেৰিকাৰ জুনজুনি সাপ মাৰাত্মক বিষাক্ত। জুনজুনি সাপে ৰাতিৰ পৰতেহে চিকাৰ ধৰে তাৰ বিচিত্ৰ অনুভৱ-কৌশলেৰে। তাৰ নাক আৰু চকুৰ সোঁমাজত থকা সৰু বিন্ধা এটিৰে তাপ অনুভৱ কৰিব পাৰে, আৰু তাপৰ সহায়ত চিকাৰক ধৰে!



বাঘৰ কুটুম!

দক্ষিণ আমেৰিকাৰ বনাঞ্চলত জাগুৱাৰ হ'ল আমেৰিকাৰ সৰাতোকৈ ডাঙৰ আকৃতিৰ বিৰাল। ইয়াৰ ওজন প্ৰায় ৩০০ পাউণ্ড আৰু নাহৰফুটুকী বাঘতকৈ গধুৰ। ইয়াৰ গাত থকা হালধীয়া ফোঁট-বোৰে ইয়াক বিশেষত্ব প্ৰদান কৰিছে — এই বিৰালক দেখাত কিঞ্চিত গুলপীয়া যেন লাগে।

প্ৰথম পতংগ!

পানী-ফৰিংবোৰ পৃথিৱীত ওপজাৰ হেনো ৩০০,০০০,০০০ বছৰ পাৰ হৈ গ'ল! বিশ্বত এইবিধ ফৰিঙেই হেনো উৰিবপৰা প্ৰথম পতংগ। পানী-ফৰিঙৰ অসংখ্য প্ৰজাতি। কিছুমানৰ ৭০ ছেনটিমিটাৰলৈকে দীঘল পাখি থকা পৰিলক্ষিত হয়!

ସଚିତ୍ର

ବିଜୟା

ଫେବୃଆରୀ ୧୯୯୪ ■ ଦଶଟଙ୍କା



ଖୁବ୍ ଶୀଘ୍ର ପହଞ୍ଚୁଛି ଫେବ୍ରୁଆରୀ ସଂଖ୍ୟା

ଅପୂର୍ବ ପରିପାଟୀରେ ବର୍ଣ୍ଣିଳ

ସଚିତ୍ର

ବି ଜ ୟା

ସୃଜନଶୀଳ ସାହିତ୍ୟ, ସନ୍ଦର୍ଭର ପାରିବାରିକ ମାସିକ ପତ୍ରିକା

ଏ ସଂଖ୍ୟାରେ :

- ଦ୍ରୁମ ମହାଦ୍ରୁମ - କାଠଚମ୍ପା ଗଛର କାହାଣୀ
- ଏକାନ୍ତ ପଲ୍ଲୀ - **ମୁଖାର ମୁଖଶାଳାରେ ମୂକ-ମହାରଣା**
- ଅନ୍ୟ ଜଗତ :
  ଅନନ୍ୟ ଅନୁଭୂତି - ବୈଜ୍ଞାନିକର ମୋହଭଙ୍ଗ
- **ସ୍ମୃତି ସଂଜୀବନୀ - ମନୋଜ ଦାସଙ୍କ ଧାରାବାହିକ ସ୍ମୃତି-କଥା**
  'ସମୁଦ୍ର କୂଳର ଏକ ଗାଁ'ର ୫ମ ପର୍ଯ୍ୟାୟ: **'ଭ' ସହିତ ଏକ ସନ୍ଧ୍ୟା**
- ମୁଁ ମୋ ବାପାଙ୍କୁ
  ଯେପରି ଜାଣେ - **ଚକ୍ରଧର ମହାପାତ୍ରଙ୍କ** ସଂପର୍କରେ **ମନୋଜ ମଞ୍ଜରୀ ମିଶ୍ରଙ୍କ** ଆଲେଖ୍ୟ
- ଭିନ୍ନ ମଣିଷ- **ଦାସିଆର ଦର୍ଦ୍ଧ୍ୟତା ଭକ୍ତି**
- ଅନ୍ତରାଗ- **ପାରିକୁଦର ଶେଷରାଜା ପ୍ରତାପଚଂଦ୍ର ମାନସିଂହଙ୍କ ସହ ଆଳାପ**
- **ମୁଖ୍ୟ ପ୍ରସଙ୍ଗ - ଊଷର ଭୂଇଁରେ ଶ୍ୟାମଳ ସଂକଳ୍ପ**
  ଶ୍ରୀମାଙ୍କର ସ୍ୱପ୍ନ ଓ ସଂକଳ୍ପର ପରୀକ୍ଷାଗାର, ପଣ୍ଡିଚେରୀର ଅନବଦ୍ୟ
  ଆକର୍ଷଣ - ଉଷାନଗରୀ 'ଅରୋଭିଲ୍' ଉପରେ ଏକ ସ୍ୱତନ୍ତ୍ର ରିପୋର୍ଟ
- ଗଳ୍ପ - **ନିତ୍ୟାନନ୍ଦ ପଣ୍ଡା, ସଦାନନ୍ଦ ଦାସ, ଅମୃତା ପ୍ରୀତମ, କୃଷ୍ଣ କୁମାର ମହାନ୍ତି**
- ରମ୍ୟ ରଚନା - ***ଶାନ୍ତନୁ କୁମାର ଦାଶ***
- ଅନ୍ତଃପୁର - **ସାଧନାରୁ ସିଦ୍ଧିଯାଏ : ପାର୍ବତୀ ଗିରି,**
  କେତେ ପେଶା-କେତେ ଆଶା
- **ପରମ୍ପରା -** ମାଘ ସପ୍ତମୀ ସ୍ନାନ
  ସୂର୍ଯ୍ୟ-ପ୍ରଣାମ ଉପରେ ରଙ୍ଗୀନ ଦ୍ୱିପତ୍ର

ଏହା ବ୍ୟତୀତ ବିଚିତ୍ର ଓଡ଼ିଶା, ରସ ଅନନ୍ୟ, ବିଦୂଷକ ଉବାଚ୍, ଗ୍ରହବିହାର, ବଡ଼ଙ୍କ ପାଇଁ ଉପକଥା, ଚଳଚିତ୍ର, ସମ୍ବାଦ ସମୀକ୍ଷା, କବିତା, ସ୍ୱାସ୍ଥ୍ୟ, ପରିବେଶ, ସମୟ ଢେଉରେ, ରାଶିଫଳ ଆଦି ଅନେକ ଆକର୍ଷଣୀୟ ବିଭାଗ ସହ ଏକଶତ ସଚିତ୍ର, ରଙ୍ଗୀନ ପୃଷ୍ଠାର ମସୃଣ କାଗଜରେ ମୁଦ୍ରିତ, ଓଡ଼ିଆ ଭାଷାରେ ଅନବଦ୍ୟ ପରୀକ୍ଷା । ଦାମ୍ ମାତ୍ର ଟ.୧୦-୦୦ । ପତ୍ରିକା ପାଇଁ ଆପଣଙ୍କ ନିକଟସ୍ଥ 'ଜହ୍ନମାମୁଁ' ଏଜେଣ୍ଟଙ୍କୁ ଭେଟନ୍ତୁ ।

ଚିତ୍ର ଓ ବୈଚିତ୍ର୍ୟମୟ ଏ ଅଭିନବ ସମ୍ଭାର ଅବିଳମ୍ବେ ସଂଗ୍ରହ କରନ୍ତୁ !

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৫ চনৰ এপ্ৰিল মাহৰ সংখ্যাত প্ৰকাশিত হ'ব।

Devidas Kasbekar

B.V. Ravichandran

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৫ চনৰ ফেব্ৰুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

অনিবাৰ্য্য কাৰণত এইবাৰৰ পুৰস্কাৰ স্থগিত থাকিল।

ভাৰতত বছৰেকীয়া বৰঙনি **চান্দমামা** ৬০.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 117.00 ● উৰাজাহাজ-যোগে 264.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 123.00 ● উৰাজাহাজ-যোগে 264.00

আপোনাৰ বৰঙণি বেৱল ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ

ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

১০টা পাৰ্থক্য বিচাৰি উলিওৱা

উত্তৰ :

১। ফুলত পাহিৰ সংখ্যা বেছি আছে।
২। ভাটৌটোৰ ঠোঁট খোলা আছে।
৩। ভাটৌটোৰ ডিঙিত ৰঙা পটি আছে।
৪। ছোৱালীজনীৰ চকু খোলা।
৫। ছোৱালীজনীয়ে হাঁহি আছে।
৬। তাইৰ ফ্ৰকত তৰা অঁকা আছে।
৭। ছোৱালীজনীৰ খাকডাল ফুকুতাৰে ভৰি আছে।
৮। কুকুৰটোৰ জিভাখন ওলাই আছে।
৯। প্লেটত পাৰ্লেৰ নাম লিখা আছে।
১০। প্লেটত মেংগোবাইট থোৱা আছে।

everest/93/PP/170-as